Content includes AI-generated material


কামপুৰত অতীত ৰোমন্থন হিমন্ত বিশ্বৰ



বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত



www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MARCH 31, 2025 ■ সোমবাৰ, ১৭ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯৩ Guwahati, Assam ।। মূল্যঃ এটকা


### জাতীয়তাবাদী সমাজত শোকৰ ছাঁ

## অগপ নেতা ভৃগু ফুকনৰ কন্যা উপসাৰ ৰহস্যজনক মৃত্যু



ই-সংবাদ, ৩০ মাৰ্চঃ অসমৰ জাতীয়তাবাদৰ অন্যতম প্ৰতিভূ প্ৰয়াত ভৃগু ফুকনৰ কন্যাৰ ৰহস্যজনক মৃত্যুৱে ৰাজ্যজুৰি ৪ পৃষ্ঠাত চাওক



ম্যানমাৰত বৰভূঁইকপে এৰি যোৱা ধ্বংসাৱশেষৰ দৃশ্য

## নিৰৱচ্ছিন্ন সুখৰ সন্ধানত

■ ডঃ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

**চহৰৰ ৰ'দ নসৰা** গগণচুম্বী অট্টালিকাই দুয়োকাষ বেড়ি ৰখা এটা সৰু পথেৰে বেগাই খোজ লৈছে মানুহ এজনে। শেষাংশ ৫ পৃষ্ঠাত

### প্ৰসংগ এপেক্স বেংক

## দুৰ্নীতিৰ তদন্ত বিচাৰি প্ৰধানমন্ত্ৰীলৈ পত্ৰ গৌৰৱৰ



গৌৰৱ গগৈ
Gaurav Gogoi
Member of Parliament, Lok Sabha (Jorhat)
Deputy Leader of
Congress Parliamentary Party in the Lok Sabha

1102, Yamuna Apartment,
Dr. B.D. Marg, New Delhi-110001
Email: office@gauravgogoi.in

-2-

This issue extends beyond one journalist—it strikes at the core of our democracy, the transparency of financial institutions, and the protection of constitutional rights. Your immediate intervention is crucial to ensure justice, hold those responsible accountable, and restore public faith in our institutions.

I look forward to your urgent response on this matter.

ই-সংবাদ, ৩০ মাৰ্চঃ এপেক্স বেংকৰ ৰাজেশ বাজাজ নামৰ বহিৰাগত ব্যৱসায়ীয়ে ৪ পৃষ্ঠাত

### উন্নয়নৰ নামত ঐতিহাসিক সমল সমাধিস্থ কৰাত ব্যস্ত চৰকাৰ!

# ধূলিৰ লগত বিলীন ইতিহাসপ্ৰসিদ্ধ মহাফেজখানা!

### বিকাশৰ নাম দি ধ্বংস স্থাপত্যৰ বিৰল চানেকি

● বুলডজাৰ লগাই চৰকাৰে ভাঙি পেলালে ১৮৫৫ চনৰ পৰা ১৮৬৫ চনৰ ভিতৰত নিৰ্মিত মহাফেজখানা

ই-সংবাদ, ৩০ মাৰ্চঃ মাটিৰ সৈতে মিহলাই দিয়া হ'ল ১৯ শতিকাৰ অসমৰ বুকুত নিৰ্মিত এক ঐতিহাসিক সমল। গুৱাহাটীৰ মাজমজিয়াৰ ঐতিহাসিক সমল মহাফেজখানা ভাঙি মাটিৰ সৈতে মিহলাই দিলে মুখ্যমন্ত্ৰী হিমন্ত শেষাংশ ৩ পৃষ্ঠাত



## লাইনচ্যুত ৰে'ল, অসমৰ যুৱক আহত

ই-সংবাদ, ওদালগুৰি, ৩০ মাৰ্চঃ আজি দিনৰ ভাগত উৰিষ্যাৰ কটক ৰেল ষ্টেচনৰ সমীপত সংঘটিত ৩ পৃষ্ঠাত

## ৫ এপ্ৰিলৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা!

গুৱাহাটী, ৩০ মাৰ্চঃ ৫ এপ্ৰিলৰ পূৰ্বে ঘোষণা হ'ব পঞ্চায়ত নিৰ্বাচনৰ দিন। এই ঘোষণা ৩ পৃষ্ঠাত চাওক






## দুৰ্নীতিৰ চৰজমিন তদন্ত কৰক সাংবাদিকে

### এপেক্স বেংকৰ অধ্যক্ষৰ আহ্বান

ই-সংবাদ, ৩০ মাৰ্চঃ চিবিআই, ইডিক নহয় বেংকৰ দুৰ্নীতিৰ তদন্ত কৰিবলৈ সাংবাদিকক আমন্ত্ৰণ কৰাৰ শেষাংশ ৩ পৃষ্ঠাত




## অশান্ত মণিপুৰত বলবৎ আফস্পা

নতুন দিল্লী, ৩০ মাৰ্চঃ ৰাষ্ট্ৰপতিৰ শাসনৰ পিছতো শাম কটা নাই মণিপুৰৰ হিংসা। শেষাংশ ২ পৃষ্ঠাত

## প্ৰথমবাৰৰ বাবে সংঘৰ মঞ্চত প্ৰধানমন্ত্ৰী মোদী



নাগপুৰ, ৩০ মাৰ্চঃ স্বাধীনতাৰ পিছত তিনিবাৰকৈ নিষিদ্ধ কৰা হৈছিল ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘক। তথাকথিত শেষাংশ ২ পৃষ্ঠাত




■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰথমবাৰৰ বাবে সংঘৰ মঞ্চত প্ৰধানমন্ত্ৰী

উদাৰবাদীসকলৰ মাজত এতিয়াও বিতৰ্কিত এই সংগঠন। আৰু এইবাৰ আৰএছএছৰ ঐতিহাসিক অনুষ্ঠানত প্ৰত্যক্ষভাৱে উপস্থিত হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে সংঘৰ কোনো অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে প্ৰধানমন্ত্ৰীয়ে। দেওবাৰে প্ৰধানমন্ত্ৰীয়ে নাগপুৰৰ ৰেচমী বাগস্থিত আৰএছএছৰ মুখ্য কাৰ্যালয়ৰ সমীপৰ স্মৃতি মন্দিৰ পৰিদৰ্শন কৰে। তাতে সংঘৰ প্ৰতিষ্ঠাপক কেশৱ বলিৰাম হেজেৱাৰক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তদুপৰি সংঘৰ প্ৰতিপদ অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত সংঘৰ মুৰব্বী মোহন ভাগৱতো উপস্থিত থাকে। প্ৰসংগক্ৰমে নৰেন্দ্ৰ মোদীৰ সৈতে আৰএছএছৰ সম্পৰ্ক বহুত পুৰণি। তেওঁ গুজৰাটৰ পৰা আৰম্ভ কৰি সমগ্ৰ দেশতে সংঘৰ প্ৰচাৰক হিচাপে কাম কৰি আহিছিল। কিন্তু ২০১৪ চনত প্ৰধানমন্ত্ৰী হোৱাৰ পিছত তেওঁ কেতিয়াও সংঘৰ কোনো অনুষ্ঠানত ৰাজহুৱাভাৱে অংশগ্ৰহণ কৰা নাছিল। এই ঐতিহাসিক মুহূৰ্তটো সংঘৰ শতবাৰ্ষিকী উদযাপনৰ বছৰটোত বন্দী হৈছিল। স্মৃতি মন্দিৰত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰিও প্ৰধানমন্ত্ৰীয়ে সংঘৰ এটা চকু চিকিৎসা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। ইফালে, দেওবাৰে নাগপুৰত বিজেপিৰ নতুন সৰ্বভাৰতীয় সভাপতিৰ নাম চূড়ান্ত কৰাৰ বাবে এখন বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। এই বিষয়ত মোদী আৰু মোহন ভাগৱতৰ মাজত আলোচনা হ'ব পাৰে বুলি জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। অৱশ্যে নতুন সভাপতিৰ নাম অতি সোনকালে ঘোষণা কৰা হ'ব। বিজেপিৰ বৰ্তমানৰ সভাপতি জেপি নাড্ডাই অহা ১০ এপ্ৰিলত বিজেপিৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক সভাপতিৰ সৈতে বৈঠকত মিলিত হ'ব। বিজেপিৰ সূত্ৰ অনুসৰি ১৫ এপ্ৰিলৰ ভিতৰত নতুন সভাপতিৰ নাম ঘোষণা হ'ব পাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অশান্ত মণিপুৰত বলৱৎ আফস্পা

এনে পৰিস্থিতিত পুনৰ ৬ মাহৰ বাবে ৰাজ্যখনত বলবৎ কৰা হ'ল সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন। কেন্দ্ৰীয় চৰকাৰে কেৱল মণিপুৰতে নহয়, উত্তৰ-পূবৰ আন দুখন ৰাজ্য নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ কেইবাটাও অঞ্চলত এই বিতৰ্কিত আইন জাৰি কৰিছে। এই সিদ্ধান্ত দেওবাৰে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে এক বিবৃতিত ঘোষণা কৰে। উল্লেখ্য যে, চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত মণিপুৰত ৰাষ্ট্ৰপতি শাসন জাৰি কৰাৰ পাছৰে পৰা কেন্দ্ৰই ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যৰ প্ৰশাসনিক বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ পৰিস্থিতি শীঘ্ৰে নিয়ন্ত্ৰণলৈ আনিবলৈ নিৰ্দেশ দিয়ে। ৰাজ্যৰ সকলো পথ ৮ মাৰ্চৰ ভিতৰত যাতায়তৰ বাবে সুৰক্ষিত কৰিবলৈ কোৱা হৈছিল। কিন্তু বাৰে বাৰে অশান্তিৰ সৃষ্টি হোৱাৰ লগে লগে এইবাৰ কেন্দ্ৰই কঠোৰ স্থিতি গ্ৰহণ কৰে। গৃহ মন্ত্ৰালয়ে জনাইছে যে ১৩টা থানা এলেকাৰ বাহিৰে সমগ্ৰ মণিপুৰত আফস্পা বলবৎ হৈ থাকিব। ইয়াৰ উপৰিও অৰুণাচল প্ৰদেশৰ টিৰাপ, চাংলাং আৰু লংডিং জিলা আৰু তিনিখন থানা এলেকাকো এই আইনৰ অধীনত অনা হৈছে। নাগালেণ্ডৰ ৮খন জিলা আৰু ২১খন থানাতো আফস্পা জাৰি কৰা হৈছে। মন কৰিবলগীয়া যে ইৰোম শৰ্মিলা চানুৱে দীৰ্ঘদিন ধৰি মণিপুৰত আফস্পা প্ৰত্যাহাৰৰ দাবীত প্ৰচাৰ চলাই আহিছিল। কিন্তু কেন্দ্ৰৰ মতে ৰাজ্যৰ শান্তি পুনৰুদ্ধাৰৰ বাবে এই আইনখন অতি গুৰুত্বপূৰ্ণ। কুকি-মেটেইৰ সংঘৰ্ষ বহুলাংশে শান্ত হৈছে যদিও কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে স্পষ্ট বাৰ্তা দিছে যে আইন-শৃংখলাৰ প্ৰতি লক্ষ্য ৰাখি আফস্পা প্ৰত্যাহাৰ কৰাৰ কোনো পৰিকল্পনা নাই।

# সাংবাদিকৰ সুৰক্ষা নিশ্চিতকৰণৰ বাবে আইন প্ৰনয়নৰ দাবী গুৱাহাটী প্ৰেছ ক্লাবৰ

**গুৱাহাটী, ৩০ মাৰ্চঃ** বাতৰি পৰিৱেশন কৰি থকা অৱস্থাত এগৰাকী সাংবাদিকক গ্ৰেপ্তাৰক লৈ ৰাজ্যজুৰি অব্যাহত আছে উত্তেজনা। এই ঘটনাৰ পিছতে গুৱাহাটী প্ৰেছ ক্লাবে সাংবাদিকক সুৰক্ষা প্ৰদানৰ বাবে বিশেষ আইন প্ৰণয়নৰ দাবী উত্থাপন কৰে। দেওবাৰে প্ৰেছ ক্লাৱ চৌহদত এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। তাত বহু জ্যেষ্ঠ সাংবাদিক উপস্থিত হৈ নিজৰ মতামত ব্যক্ত কৰে। গুৱাহাটী প্ৰেছ ক্লাৱৰ এক বিবৃতিত কোৱা হৈছে যে সভাত সাংবাদিকসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বিষয়টো অতি গুৰুত্বসহকাৰে আলোচনা কৰা হয়। কাম কৰাৰ সময়ত সাংবাদিকক সুৰক্ষা দিয়াৰ বাবে সুকীয়া আইন প্ৰণয়নৰ দাবী উত্থাপন হৈছে। সাংবাদিকসকলক চৰকাৰী স্বীকৃতিপ্ৰাপ্ত পৰিচয় পত্ৰ, তেওঁলোকৰ সংগঠনৰ পৰিচয় পত্ৰ, স্বীকৃতিপ্ৰাপ্ত সাংবাদিক সংগঠনৰ পৰা পৰিচয় পত্ৰ প্ৰদানৰ দাবী উত্থাপন হৈছে। বাতৰি সংগ্ৰহৰ সময়ত যিকোনো সাংবাদিক ক্ষতিগ্ৰস্ত হ'লে সংশ্লিষ্ট কৰ্তৃপক্ষই ক্ষতিপূৰণ দিবলৈও দাবী উত্থাপন কৰা হৈছে। তদুপৰি কোনো মন্ত্ৰী, বিধায়ক বা আন কোনো ব্যক্তিয়ে সাংবাদিকক ব্যক্তিগতভাৱে অপমান নকৰাৰ বাবে কঠোৰ আইন প্ৰণয়নৰ দাবী উত্থাপন হৈছে। সভাত মহিলা সাংবাদিকসকলৰ বাবে পৰ্যাপ্ত সুবিধা প্ৰদান কৰাৰ লগতে ফ্ৰীলান্স সাংবাদিকসকলৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈও দাবী জনায়। একে সময়তে এই দাবী ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু অসম চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে আৰু ইয়াৰ কাৰ্যকৰীকৰণৰ ওপৰত নজৰ ৰাখিবলৈ অনুৰোধ জনোৱা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবে সাংবাদিকক আইনী সাহায্য প্ৰদানৰ বাবে আইনী বিভাগ গঠনৰ প্ৰস্তাৱ আগবঢ়াইছে। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰেছ ক্লাৱৰ মাজত সমন্বয় সৃষ্টি কৰি তাৎক্ষণিক সহায়ক কোষ গঠনৰ পৰামৰ্শও দিয়ে। মন কৰিবলগীয়া যে মঙলবাৰে নিশা আৰু পুনৰ বৃহস্পতিবাৰে পুৱাৰ ভাগত সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা হয়। এপেক্স বেংক দুৰ্নীতিৰ গোচৰক লৈ চলি থকা প্ৰতিবাদৰ বাতৰি দিবলৈ গৈছিল তেওঁ। বেংকৰ এজন কৰ্মচাৰী আৰু বেংকৰ পৰিচালন সঞ্চালকে দাখিল কৰা দুটা গোচৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰে তেওঁক। অৱশ্যে ইতিমধ্যে দুয়োটা গোচৰতে চিজেএম আদালতৰ পৰা জামিন লাভ কৰি মুকলি আকাশৰ তললৈ ওলাই আহিছে দিলোৱাৰ।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিৰ চৰজমিন তদন্ত কৰক

প্ৰস্তাৱ দিছে বিজেপিৰ বিধায়ক তথা এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকনে। কেন্দ্ৰীয় সংস্থা তথা ন্যায়িক তদন্ত হ'লে মুখা খোলা খোৱাৰ ভয়ত সাংবাদিকক মাতি নি বেংকটোত সংঘটিত কেলেংকাৰীৰ তদন্ত কৰিবলৈ প্ৰস্তাৱ দিছে বিশ্বজিৎ ফুকনে। আজি এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকনে এটা ফেচবুক পোষ্ট যোগে এপেক্স বেংকত সংঘটিত প্ৰায় ৫০ কোটি টকীয়া কেলেংকাৰীৰ চৰজমিন তদন্ত কৰিবলৈ ৰাজ্যক চাৰিগৰাকী বিশিষ্ট সাংবাদিকক চৰজমিন তদন্ত কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ প্ৰস্তাৱ প্ৰদান কৰিছে। জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজগুৰু, নিতুমণি শইকীয়া, অতনু ভুঞা আৰু প্ৰণয় বৰদলৈক বেংকটোলৈ মাতি নি দুৰ্নীতিৰ চৰজমিন তদন্ত কৰিবলৈ প্ৰস্তাৱ প্ৰদান কৰিছে। শেহতীয়াকৈ এপেক্স বেংকত সংঘটিত বিয়াগোম কেলেংকাৰীক লৈ ৰাজ্যত ব্যাপক চৰ্চা অব্যাহত আছে। বিভিন্ন দল-সংগঠনে তদন্তৰ দাবীত প্ৰতিবাদ কৰি গৈছে। ৰাজেশ বাজাজে প্ৰায় ২০ কোটি টকা উলিয়াই নিয়া কেলেংকাৰী আৰু ডাটা মজুত ব্যৱস্থাৰ নিবিদাৰ নামত সংঘটিত ২৮ কোটি টকীয়া কেলেংকাৰীৰ তদন্তৰ দাবী উত্থাপন কৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদৰ সময়তে আজি এপেক্স বেংকৰ কেলেংকাৰীক লৈ মুখ খুলিছে বেংকটোৰ অধ্যক্ষ তথা বিজেপিৰ বিধায়ক বিশ্বজিৎ ফুকনে। বিশ্বজিৎ ফুকনে কয় যে এপেক্স বেংক সম্পৰ্কত যোৱা কিছুদিন ধৰি প্ৰকাশিত বাতৰিসমূহে বেংকৰ শুভাকাংক্ষীক চিন্তিত কৰিছে। বাতৰিবোৰৰ সম্পৰ্কত স্পষ্টীকৰণ দিয়াতকৈ এটা বিকল্প কথা চিন্তা কৰিছো। মই অসমৰ চাৰিজন জ্যেষ্ঠ সাংবাদিকৰ সৈতে যোগাযোগ কৰিম আৰু বেংকলৈ নিমন্ত্ৰণ কৰিম। বেংকৰ পৰিচালন সঞ্চালক নিযুক্তি, ডিজিটেল প্লেটফৰ্মৰ নিবিদা, ৰাজেশ বাজাজে জালিয়াতি কৰি উলিয়াই লৈ যোৱা ধনৰ সম্পৰ্কীয় নথি পত্ৰৰ লগতে যোৱা চাৰি বছৰত হোৱা সকলো নিযুক্তিৰ তথ্য তেখেত সকলে নিজে চাব আৰু কৰবাত দুৰ্নীতি হৈছে যদি বাতৰি প্ৰচাৰ কৰিব। জাতীয় সম্পদ এপেক্স বেংকৰ ভিতৰৰ যিকোনো তথ্য বিশ্বাসযোগ্য ব্যক্তিক দেখুৱাবলৈ আমি ভাল পাম। জ্যেষ্ঠ সাংবাদিক প্ৰশান্ত ৰাজগুৰু, নিতুমণি শইকীয়া, অতনু ভুঞা আৰু প্ৰণয় বৰদলৈক বেংকলৈ নিমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত লৈছো। তেখেতসকলৰ সৈতে আলোচনা কৰি এটা দিন স্থিৰ কৰিম। আশাকৰো এটা জাতীয় অনুষ্ঠানৰ সম্পৰ্কত ঋণাত্মক বাতৰি প্ৰকাশ হৈ থকা সময়ত তেখেতসকল নিজে বেংকলৈ আহি ঘটনাৰ বুজ ল'ব- অধ্যক্ষ কয় ফুকনে। বাতৰিত প্ৰকাশৰ দৰে যদি দুৰ্নীতি সঁচাকৈ সংঘটিত হৈছে তেন্তে তাৰ তদন্ত সাংবাদিকৰ পৰিৱৰ্তে কেন্দ্ৰীয় সংস্থা নাইবা ন্যায়ালয়ৰ নিৰীক্ষণত হ'ব লাগে বুলি বিভিন্নজনে মত প্ৰকাশ কৰিছে। যদি ফুকনৰ সাহস আছে তেন্তে উচ্চ ন্যায়ালয়ক নাইবা কেন্দ্ৰীয় সংস্থাক সেই দুৰ্নীতিৰ তদন্ত কৰিবলৈ দাবী উত্থাপন কৰিছে ৰাইজে। বিষয়টোৱে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাটিৰ লগত বিলীন ইতিহাসপ্ৰসিদ্ধ

বিশ্ব শৰ্মাৰ চৰকাৰে। গুৱাহাটীক উন্নয়ন কৰাৰ নামত ঐতিহাসিক স্মৃতিচিহ্ন মহাফেজখানা ভাঙি পেলোৱা হয়। ইতিপূৰ্বে গুৱাহাটী মহানগৰীত দুশ-তিনিশ বছৰ পূৰ্বে গঢ়ি উঠা বহু ঐতিহাসিক স্থান ধ্বংস কৰিছে এইখন চৰকাৰে। ব্ৰহ্মপুত্ৰৰ পাৰ সৌন্দৰ্য্যবৰ্ধনৰ নামত বহু ঐতিহাসিক স্মৃতি ধূলিস্যাৎ কৰি পেলোৱা চৰকাৰখনে ব্ৰিটিছৰ দিনৰ বাংলো, ৰজাদিনীয়া আৱাস আদি ভাঙি পেলাইছে। ঐতিহ্য মচি পেলোৱা হৈছে। এইবাৰ গুৱাহাটীৰ ঐতিহাসিক মহাফেজখানা ভাঙি পেলোৱা হৈছে। বুলডজাৰ লগাই ঐতিহাসিক মহাফেজখানা ভাঙি পেলাইছে চৰকাৰে। অসমৰ আটাইতকৈ পুৰণি স্মৃতি ধ্বংস কৰি পেলালে। অতীত ৰক্ষা কৰাৰ বিপৰীতে ঐতিহাসিক সমলসমূহ ধ্বংস কৰা হৈছে। গুৱাহাটী মেট্ৰ'পলিটান ডেভেলপমেণ্ট অথৰিটিয়ে উনবিংশ শতিকাৰ ঔপনিৱেশিক গাঁথনি মাটিত মিহলাই দিয়ে। ১৮৫৫ চনৰ পৰা ১৮৬৫ চনৰ ভিতৰত নিৰ্মিত মহাফেজখানা এটা অট্টালিকাই নাছিল। ই আছিল অসমৰ প্ৰশাসনিক ইতিহাসৰ বিলৰ এক সম্পদ। যাক ভঁৰাল বুলি ক'ব পাৰি। ভূমিৰ ৰেকৰ্ড, চৰকাৰী আদেশ আৰু আৰ্কাইভেল ডকুমেণ্টৰ ইতিহাসৰ সৈতে জড়িত আছিল মহাফেজখানা। যৰ পৰা শাসনৰ বিৱৰ্তন ৰচনা হৈছিল। ইয়াৰ লো-গেটযুক্ত গাঁথনি, চেল আৰু চেগুনবীমেৰে সুৰক্ষিত ১৭০ বছৰৰো অধিক সময় ধৰি থিয় হৈ আছিল মহাফেজখানা। স্থাপত্যৰ বিৰল চানেকী আছিল। জিএমডিএৰ বুলডজাৰে গুৱাহাটীৰ মানচিত্ৰৰ পৰা মচি পেলাই মহাফেজখানাক। জিএমডিয়ে শেহতীয়াকৈ প্ৰকাশিত কফি টেবল কিতাপখনত মহাফেজখানাৰ গুৰুত্ব স্বীকাৰ কৰিছিল। কিতাপখনত মহাফেজখানাক এক গুৰুত্বপূৰ্ণ ৰেকৰ্ড হিচাপে বৰ্ণনা কৰিছিল। যিয়ে ১৮৯৭ চনৰ ভূমিকম্পত ২০ ইঞ্চি ডাঠ দেৱাল আৰু স্থিতিস্থাপকতা ভাঙিব পৰা নাছিল। ঐতিহাসিক গুৰুত্ব স্বীকাৰ কৰা স্বত্বেও জিএমডিয়ে ধ্বংস কৰি পেলায়। মহাফেজখানা ধ্বংস কৰা মানে এটা ঘৰৰ ধ্বংস নহয়। অসমৰ এটা জীৱন্ত কাহিনীৰ অধ্যায় সমাপ্ত কৰা হ'ল। ইতিহাসে বহু কথাই কৈ থাকিলহেঁতেন। পৰ্যটকৰ বাবে আকৰ্ষণ হ'লহেঁতেন।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ এপ্ৰিলৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচনৰ দিন

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। দেওবাৰে সংবাদ মাধ্যমৰ আগত এই কথা কয় মুখ্যমন্ত্ৰীগৰাকীয়ে। ইয়াৰ পূৰ্বে অসম পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ৫ মে'ৰ ভিতৰত সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰিছিল ।মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পিছত সমগ্ৰ ৰাজ্যতে পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হোৱাৰ সম্ভাৱনা আছে। ইফালে কংগ্ৰেছকে ধৰি কেইবাটাও ৰাজনৈতিক দলে ইতিমধ্যে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ নিৰ্দিষ্ট সময়সূচী আনুষ্ঠানিকভাৱে ঘোষণা কৰিব ৰাজ্যিক নিৰ্বাচন আয়োগে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লাইনচ্যুত ৰে'ল, অসমৰ যুৱক আহত

হোৱা ৰেল দুৰ্ঘটনাত আহত হয় ওদালগুৰিৰ এগৰাকী ৰেল যাত্ৰী। আহত যাত্ৰীগৰাকী হৈছে জিলাখনৰ হাতীগড় চাহ বাগিচাৰ পিতৃ এল দিগাল আৰু মাতৃ স্বৰ্গীয় উমা দিগালৰ পুত্ৰ উইলচন দিগাল (২৬)। নিজৰ ককায়েক জেমছ দিগালৰ সৈতে বেংগালৰুৰ পৰা অসম অভিমুখে আহি থকা অৱস্থাত হঠাতে সংঘটিত হোৱা ৰেল দুৰ্ঘটনাত আহত হয় উইলচন দিগাল। উল্লেখ্য যে আহত দিগালে বেংগালৰুত খাদ্য ডেলীভেৰী বয় হিচাপে কৰ্মৰত আছিল। কিছুদিন পূৰ্বে পথ দুৰ্ঘটনাত আহত হোৱা উইলচন দিগালক বেংগালৰুতে চিকিৎসা কৰাই অসম অভিমুখে লৈ আহি আছিল ককায়েক জেমছ্ দিগালে। কিন্তু কটক ৰেল ষ্টেচন পাৰ হোৱাৰ পাছত প্ৰচণ্ড জোৰে শব্দ হোৱাত ৰেলখনত হুৱাদুৱা লাগে। ঘটনা সন্দৰ্ভত আহতৰ ককায়েক জেমছে কয়, "বৰ্তমান আমি সুস্থ অৱস্থাত আছো। ৰেলখন দুৰ্ঘটনাগ্ৰস্থ হোৱাৰ পাছত স্থানীয় প্ৰশাসনে আহতসকলক চিকিৎসাৰ ব্যৱস্থা কৰে। মোৰ ভাইটিয়ে পূৰ শিলিগুড়িত খাদ্য ডেলীভাৰীৰ কাম কৰি আছিল। কিছুদিন পূৰ্বে মোৰ ভাইটি পথ দুৰ্ঘটনাত আহত হৈছিল। যাৰ ফলত ভাইটিৰ হাড় ভঙাৰ লগতে হাত আৰু ভৰিত ফ্ৰেকচাৰ হয়। তাৰপাছত বেংগালৰুত মোৰ ভাইটিক চিকিৎসা কৰাই অসম অভিমুখে ৰেলখনৰ বি৭ নম্বৰ ডবাত গৈ আছিলো। তেনে অৱস্থাত কটক ৰেল ষ্টেচন পাৰ হৈ আহি ৰেলখন দুৰ্ঘটনাত পতিত হয়। ইয়াৰ পাছত আহতসকলৰ লগতে মোৰ ভাইটিকো চিকিৎসা প্ৰদান কৰে। এতিয়া দুৰ্ঘটনাগ্ৰস্থ ৰেলখনৰ সকলো যাত্ৰী অন্য এখন ৰেলযোগে অসমলৈ অসমলৈ গৈ আছো।" পুনৰ এক ৰেল দুৰ্ঘটনাই দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিৰ তদন্ত বিচাৰি প্ৰধানমন্ত্ৰীলৈ পত্ৰ

প্ৰায় ২০ কোটি টকা উলিয়াই নিয়া কেলেংকাৰী আৰু ডাতা মজুত ব্যৱস্থাৰ নিবিদাৰ নামত সংঘটিত ৫০ কোটি টকীয়া কেলেংকাৰীৰ তদন্তৰ দাবী উত্থাপন কৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদৰ মাজেত এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই কেলেংকাৰীৰ কথা অৱগত কৰিছে কংগ্ৰেছ দলে। কংগ্ৰেছ দলৰ নেতা, যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে অসাম কো-অপাৰেটিভ এপেক্স বেংকত সংঘটিত প্ৰায় ৭০ কোটি টকীয়া কেলেংকাৰীৰ তদন্তৰ কৰিবলৈ এখন পত্ৰ প্ৰদান কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। একেখন পত্ৰত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ প্ৰসংগত উল্লেখ কৰি গ্ৰেপ্তাৰৰ কাৰণ এপেক্স বেংকৰ কেলেংকাৰী বুলি কব খোজে গৌৰৱ গগৈয়ে। অসম আৰক্ষীৰ ক্ষমতাৰ অপব্যৱহাৰ অভিযোগৰ তদন্ত আৰম্ভ কৰিবলৈ আহ্বান জনাইছে সাংসদগৰাকীয়ে। গৌৰৱ গগৈয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা পত্ৰখনত এপেক্স বেংকত সংঘটিত কেলেংকাৰীৰ তদন্ত দাবী কৰাৰ লগতে সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক এবাৰ নিশা আৰু এবাৰ কাৰাগাৰতে গ্ৰেপ্তাৰ কৰাৰ প্ৰসংগ উল্লেখ কৰে। গগৈয়ে কয় যে ২৫ মাৰ্চত এপেক্স বেংকৰ কেলেংকাৰীৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়তে সাংবাদিকক গ্ৰেপ্তাৰ কৰা হয়। ক্ৰচ্ছ কাৰেণ্টৰ সাংবাদিক মজুমদাৰে এপেক্স বেংকৰ বাহিৰত এক প্ৰতিবাদৰ বাতৰি সংগ্ৰহ কৰি আছিল। বেংকৰ পৰিচালনা সঞ্চালক ডম্বৰু শইকীয়াৰ পৰা দুৰ্নীতিকৈ মতামত ল'ব খোজোতে সাংবাদিকজনক ভিতৰলৈ আমন্ত্ৰণ জনাইছিল। অৱশ্যে, তাৰ পিছত যি ঘটিল সেয়া গভীৰভাৱে উদ্বেগজনক। পৰৱৰ্তী সময়ত তেওঁক পাণবজাৰ আৰক্ষী থানাই কোনো যুক্তি অবিহনে গ্ৰেপ্তাৰ কৰিছিল। সাংবাদিকজনৰ ওপৰত জাতি-ভিত্তিক উৎপীড়নৰ অভিযোগ আনে। ন্যায়াধীশে এনে অভিযোগৰ কোনো প্ৰমাণ নোপোৱাত গোচৰ প্ৰত্যাখ্যান কৰিছিল। বেংকটোৰ কেলেংকাৰীৰ বিৰুদ্ধে খবৰ প্ৰকাশ কৰাত এনে কৰা হৈছে বুলি উল্লেখ কৰি গগৈয়ে কয় যে জামিন মঞ্জুৰ হোৱা স্বত্বেও পিছদিনা গোপনীয় নথিপত্ৰ চুৰি কৰিবলৈ ডকাইতি আৰু বেংকত অনধিকাৰ প্ৰৱেশৰ অতিৰঞ্জিত অভিযোগত পুনৰ গ্ৰেপ্তাৰ কৰা হৈছিল। গৌৰৱ গগৈয়ে কয় যে বেংকটোৰ সঞ্চালক হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অধ্যক্ষ হৈছে বিজেপি বিধায়ক বিশ্বজিৎ ফুকন। বেংকৰ কাম-কাজ, আইনী ব্যৱস্থাৰ অপব্যৱহাৰ আৰু সংবাদমাধ্যমৰ স্বাধীনতাক দমন কৰা হৈছে। এপেক্স বেংক কেলেংকাৰীৰ এক স্বতন্ত্ৰ তদন্ত হ'ব লাগে। বিত্তীয় অডিট আৰু মেনেজমেণ্টৰ অনীতিৰ তদন্ত কৰিবলৈ দাবী জনায়। এপেক্স বেংকৰ দুৰ্নীতিৰ অভিযোগৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি গগৈয়ে কয় যে ২০২৪ চনৰ জুনমাহৰ পৰা এজন তথ্য প্ৰযুক্তি ব্যৱসায়ীৰ সৈতে আনুষ্ঠানিক চুক্তি অবিহনে কাম কৰি আহিছে। বেংকিং আন্তঃগাঁথনিৰ ব্যয় ২০১৮ চনত ২৮ কোটিৰ পৰা ২০২৫ চনত প্ৰায় ৫০ কোটি টকালৈ বৃদ্ধি পাইছে। সন্দেহজনক পৰিস্থিতিত ১৪ কোটি টকা কেপিএমজিলৈ প্ৰেৰণ কৰা হৈছে। খবৰ অনুসৰি ৩০ জানুৱাৰীত কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ ওচৰত এটা অভিযোগ দাখিল কৰা হৈছিল। কিন্তু ৰাজ্য চৰকাৰে প্ৰতিক্ৰিয়াহীন হৈ আছে। অসম চৰকাৰৰ সহযোগিতা বিভাগে সমবায় সমিতিৰ পঞ্জীয়কক অভিযোগৰ তদন্ত কৰিবলৈ আৰু ২০২৫ চনৰ ১৮ মাৰ্চৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। অৱশ্যে চৰকাৰে কেলেংকাৰীক জড়িতসকলক ৰক্ষা কৰি গৈছে। জনস্বাৰ্থৰ বিষয়ত বাতৰি কৰা সাংবাদিকসকলক ভুলভাৱে লক্ষ্য কৰি লোৱা লৈছে। এই বিষয়টোৱে গণতন্ত্ৰৰ মূল বিষয়টোক প্ৰভাৱিত কৰিছে। বিত্তীয় প্ৰতিষ্ঠানসমূহত স্বচ্ছতা আৰু সাংবিধানিক অধিকাৰৰ সুৰক্ষা, ন্যায় নিশ্চিত কৰি প্ৰতিষ্ঠানসমূহৰ ওপৰত ৰাইজৰ বিশ্বাস পুনৰুদ্ধাৰ কৰা আৰু সাংবাদিক আৰু নাগৰিকৰ মৌলিক অধিকাৰ বজাই ৰাখিবলৈ প্ৰধানমন্ত্ৰীৰ তাৎক্ষণিক হস্তক্ষেপ অতি গুৰুত্বপূৰ্ণ বুলি কয় গগৈয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অগপ নেতা ভৃগু ফুকনৰ কন্যা উপসাৰ

তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাজ্যৰ এগৰাকী প্ৰাক্তন গৃহমন্ত্ৰীৰ কন্যাই ৰহস্যজনকভাৱে মৃত্যুক আকোৱালি লোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অসম আন্দোলনৰ অন্যতম হোতা, জালুকবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক, প্ৰাক্তন গৃহমন্ত্ৰী, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ একমাত্ৰ কন্যা উপাসা ফুকনে ৰহস্যজনক মৃত্যুক আকোৱালি লয়। ২০ মাৰ্চত কামৰূপৰ গন্ধমৌত পিতৃ ভৃগু কুমাৰ ফুকনৰ ১৮ সংখ্যক মৃত্যু বাৰ্ষিকীত উপস্থিত আছিল উপাসা ফুকন। লগতে এটা সাক্ষাৎকাৰত নিৰ্বাচন খেলাৰ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু বহু আশা বুকুত বান্ধি নীৰৱে গুছি গ'ল প্ৰাক্তন গৃহমন্ত্ৰী মন্ত্ৰী প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ একমাত্ৰ কন্যা উপাসা। খাৰঘূলিস্থিত বাসগৃহৰ ছাঁদৰ পৰা পৰি মৃত্যু হয় উপাসাৰ। আজি পুৱা ৭.৫৫ বজাত ঘৰৰ দ্বিতীয় মহলাৰ ছাঁদৰ পৰা পিছলি পৰে উপাসা। ঘৰত মাতৃ ইন্দিৰা ফুকনো আছিল। কিন্তু মাতৃয়ে কিবা সৰি পৰাৰ শব্দ শুনি তললৈ নামি আহে দেখে যে কন্যা পৰি আছে। যদিও তেতিয়ালৈ কন্যাৰ প্ৰাণবায়ু উৰি গৈছিল বুলি জানিব পৰা গৈছে। এইখবৰ গুৱাহাটী আৰক্ষীয়ে লাভ কৰাৰ পিছতে আৰক্ষীৰ দল ঘৰত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আজি পুৱা প্ৰায় ৭.৫৫ মিনিটত নিজ ঘৰৰ ছাঁদৰ পৰা পৰি তেওঁৰ মৃত্যু হয়। এই মৃত্যুক পৰিয়াল তথা বিভিন্ন লোকে সহজভাৱে ল'ব পৰা নাই। জানিব পৰা মতে, কিছু বছৰ ধৰি প্ৰাক্তন গৃহমন্ত্ৰী ভৃগু ফুকনৰ পত্নী ইন্দিৰা ফুকন আৰু কন্যাৰ খাৰঘূলিৰ ঘৰতে বসবাস কৰি আহিছিল। পিছলি পৰি অনাকাংক্ষিত মৃত্যু হোৱাৰ অভিযোগৰ লগতে ছাঁদৰ পৰি জঁপিয়াই আত্মহত্যা কৰাৰ অভিযোগ উত্থাপন হৈছে যদিও একাংশ লোকে এই কথা মানি ল'ব খোজা নাই। এগৰাকী উচ্চ শিক্ষিত যুৱতী যিয়ে পিতৃয়ে এৰি যোৱা ৰাজনৈতিক ধাৰাটোক আগুৱাই নিবলৈ কাম কৰি আছিল। সমানে সামাজিক কাম-কাজো আৰম্ভ কৰিছিল। তেনে এগৰাকী যুৱতীয়ে আত্মহত্যা কৰিব নোৱাৰে বুলি অভিযোগ উত্থাপন হৈছে। এই ঘটনাৰ উচিত তদন্ত হ'ব লাগে বুলি বিভিন্ন জনে দাবী উত্থাপন কৰিছে। প্ৰতিটো সময়তে প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ কৰ্মৰাজীক স্মৰণ কৰে জীয়ৰীয়ে। অত্যন্ত সাহসী আৰু আৰু পিতৃৰ দৰেই জাতীয়তাবাদী মনৰ আছিল উপাসা। অগপ সভাপতি অতুল বৰাই উপাসাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। অতুল বৰাই কয় যে ঐতিহাসিক অসম আন্দোলনৰ অন্যতম গুৰি ধৰোতা, অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা, অসম চৰকাৰৰ প্ৰাক্তন গৃহমন্ত্ৰী প্ৰয়াত ভৃগু কুমাৰ ফুকনদেৱৰ জীয়ৰী উপাসা ফুকনৰ অতি দুৰ্ভাগ্যজনক আকস্মিক বিয়োগৰ খবৰটো পাই অত্যন্ত মৰ্মাহত হৈছো। এই দুখৰ ক্ষণত উপাসাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো আৰু শোকস্তব্ধ পৰিয়ালবৰ্গলৈ মোৰ তৰফৰপৰা গভীৰ সমবেদনা জ্ঞাপন কৰিলো। ওঁম শান্তি। উপসাৰ মৃত্যুৱে শোকৰ ছাঁ পেলাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰৱচ্ছিন্ন সুখৰ সন্ধানত

চৌদিশে গাড়ী-মটৰৰ গৰ্জন, কাষেৰে পাৰ হৈ গৈছে হিচাববিহীন অগণন মুখ। কিন্তু এই ব্যস্ত চহৰৰ ভিৰৰ মাজতো অকলশৰীয়া মানুহজন। তেওঁৰ মনত এক অদ্ভুত শূন্যতা, য'ত সময়ে সময়ে সলনি হৈ থাকে সুখৰ ধাৰণা। কেতিয়াবা হাতত থকা ধনৰ পৰিমাণত, কেতিয়াবা প্ৰেমৰ গভীৰতাত, কেতিয়াবা নিসংগতাৰ হুমুনিয়াহত লুকাই থাকে তেওঁৰ একাকীত্ব । কিন্তু সঁচাকৈয়ে জানো জুখিব পাৰি সুখ? কোনো পুৰুষে দামী গাড়ীত বহি সন্তৰ্পনে সোমাই যায় চহৰৰ নিষিদ্ধ গলিত, আৰু ঠিক সেই সময়তে তেওঁৰ প্ৰসাদৰ খিৰিকিমুখত এটা হুমুনিয়াহৰ কাঢ়ে কোনো নাৰীয়ে। আনহাতে কাৰোবাৰ ভগ্ন জুপুৰীত সেই সময়তে সুখৰ মেলা পাতে কোনো এহাল সুখী দম্পতীয়ে। বাস্তৱ ইমানেই আপেক্ষিক যে শান্তিৰ এটা মুহূৰ্ত কাৰোবাৰ বাবে চূড়ান্ত আনন্দ, আন কাৰোবাৰ বাবে বিলাসী জীৱনটোও আমনিদায়ক।

কোনোবাই হয়তো ভাবে, আৰুনো কিমান দিন! বিবাহ বিচ্ছেদৰ কাগজত চহী কৰিলেই বাহিৰত মুকলি আকাশ। আন কোনোবাজনে ছিগো ছিগো হৈ থকা সম্পৰ্কটোৰ জৰীডাল খামুচি সংগ্ৰাম কৰিছে তাক পুনৰ জোৰা লগোৱাৰ সম্পৰ্ক সমীকৰণ কেতিয়াও সহজ নহয়। কিছুমান মানুহে বছৰৰ পিছত বছৰ ধৰি প্ৰেম সলনি কৰে, আন কিছুমানে আজীৱন অপেক্ষা কৰে। প্ৰেমৰ সংজ্ঞা প্ৰতিজন ব্যক্তিৰ বাবে বেলেগ বেলেগ। কিছুমানে প্ৰেমৰ অৰ্থ নিৰাপত্তা বুলি ভাবে, কোনো কোনোৰ মতে প্ৰেমৰ অৰ্থ মাথো স্বাধীনতা।

কিছুমানে নিজৰ নৱজাত সন্তানক ডাষ্টবিনত পেলাই দায়িত্বৰ পৰা মুক্ত হ'ব বিচাৰে, আন কোনোবাই গোটেই জীৱন এটা সন্তানৰ বাবে কান্দি কান্দি কটায়। কোনোৱে দামী উপহাৰত সুখ বিচাৰি পায়, আন কোনোৱে সৰা ফুলৰ পাহ এটাতে বিচাৰি লয় সুখৰ মাদকতা। কাৰোবাৰ বাবে সুখ দামী ৰেষ্টুৰেন্টৰ বিলাসী টেবুলত বহি খাদ্য উপভোগ কৰা, আন কাৰোবাৰ সুখ এমুঠি পয়তা ভাত আৰু এটা কেঁচা জলকীয়া। জীৱনটো সদায় একে নহয়, সময়ৰ সোঁতৰ লগে লগে ইয়াৰ ৰং সলনি হয়। কিছুমানে দামী বিচনাত পৰিও টোপনিৰ ঔষধ খায়, আন কোনোৱে ফুটপাথত পৰি থাকিও গভীৰ টোপনি যায়। সুখ সঁচাকৈয়ে বাহ্যিক কিবা এটা নেকি? নে মনৰ আভ্যন্তৰীণ উপলব্ধি? সন্তানক ডাঙৰ-দীঘল কৰাৰ আনন্দত সন্তুষ্ট হোৱা পিতৃ-মাতৃসকল বিলাসী জীৱন যাপন কৰা আৰু সন্তানৰ ভৱিষ্যতক লৈ চিন্তা কৰাসকলতকৈ বহু বেছি স্বাধীন। ধন-সম্পত্তিৰ পাহাৰ থাকিলেও আপুনি শান্তি নাপায়, অলপতে সুখী হ'ব পাৰে।

কিছুমান মানুহে জীৱনৰ সকলো বিলাসীতা অৰ্জন কৰিও অসন্তুষ্ট হয়, আন কিছুমানে সৰু সৰু কথাতেই পূৰ্ণতা লাভ কৰে। কোনোবাই কিতাপৰ পৃষ্ঠাত সুখ বিচাৰি পায়, কোনোৱে জ্ঞানৰ পোহৰত। কোনো কোনোৱে নতুন কিতাপ পালে উৎসাহ হেৰুৱাই পেলায়, আন কিছুমানে অলপ জ্ঞানৰ সন্ধানত ছেকেণ্ড হেণ্ড কিতাপৰ দোকানত ঘূৰি ফুৰে।

সুখৰ অৰ্থ কি? কেৱল কৃতিত্বৰ আনন্দ নেকি সুখ, নে ভাগ-বতৰাত লুকাই আছে এই সুখৰ মহত্ব? কোনো পুঁজিপতিৰ বিশাল সম্পতীৰ উত্তৰাধিকাৰক লৈ দিনে-নিশাই চিন্তা, আনো কাৰোবাৰ আকৌ নাথাকিলেও মনত বিশ্বাস- কিবা নহয় কিবা এটা কৰি নিজেই চলিব পাৰিব ল'ৰা বা ছোৱালীজনীয়ে।

বিভিন্ন ৰঙৰ মানুহে, বিভিন্ন সপোনত, ক'লা-বগা কথা-বতৰাত নিজৰ জীৱনটো কটায়। কোনোবাই গোটেই জীৱন সুখৰ সন্ধানত কটায়, কিন্তু তেওঁ উপলব্ধি নকৰে যে প্ৰকৃততে তেওঁৰ চাৰিওফালে সুখ বিয়পি আছে। হয়তো সুখ কোনো গন্তব্যস্থান নহয়, বৰঞ্চ উপলব্ধিৰ ওপৰত নিৰ্ভৰশীল অনুভৱহে।

এদিন স্থৱিৰ হৈ পৰে জীৱন, ৰৈ যায় কেৱল অনুভৱবোৰ। কিছুমান মানুহে সুখ বিচাৰি দৌৰত ভাগৰি পৰে, আন কোনোৱে নিজৰ ধৰণেৰে সুখ বিচাৰি পায়। প্ৰকৃত সুখ কি? নে আমাৰ দৃষ্টিভংগীৰ পৰিৱৰ্তনৰ ওপৰত নিৰ্ভৰ কৰে? কিছুমান মানুহে বিলাসীতাৰ মাজতো দুখত আক্ৰান্ত হয়, আন কিছুমানে অলপতে সন্তুষ্ট হয়। আচলতে সুখক কোনো নিৰ্দিষ্ট সংজ্ঞাৰ লগত বান্ধি ৰাখিব নোৱাৰি। সকলোৰে বাবে বেলেগ বেলেগ। কোনো কোনোৱে বিশাল ৰাজপ্ৰসাদতো দুখী, আন কোনোৱে সৰু কোঠাতো স্বৰ্গীয় আনন্দ অনুভৱ কৰে। কোনো কোনোৱে আপোনজনৰ লগত থাকিও অকলশৰীয়া অনুভৱ কৰে, আন কোনোৱে দূৰত থাকিও গভীৰ প্ৰেম অনুভৱ কৰে।

জীৱনটো এটা প্ৰহেলিকাৰ দৰে, য'ত দাবী আৰু প্ৰাপ্তিৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো কঠিন। কিছুমান মানুহে গোটেই জীৱন সুখৰ সন্ধানত কটায়, আন কোনোৱে উপলব্ধি কৰে যে সুখ মানে আভ্যন্তৰীণ শান্তি। বাস্তৱ অহৰহ পৰিৱৰ্তিত হৈ থাকে, আৰু সময়ৰ লগে লগে দৃষ্টিভংগীও সলনি হয়। সুখ কেতিয়াও বাহ্যিক নহয়, বৰং ই হৃদয়ৰ অনুভূতি, যিটো কেতিয়াবা সাফল্যত, কেতিয়াবা ত্যাগত লুকাই থাকে।

জীৱনৰ ৰঙীন আৱৰণবোৰ উন্মোচন কৰাৰ পিছত স্পষ্ট হৈ পৰে যে বাহ্যিক জিলিকনিৰ আঁৰত বহু বস্তু লুকাই আছিল। কিছুমান মানুহে গোটেই জীৱন ধন-সম্পত্তিৰ খেদি ফুৰে, কিন্তু শেষ মুহূৰ্তত তেওঁলোকে উপলব্ধি কৰে যে ধন-সম্পত্তিৰ তুলনাত সম্পৰ্কৰ মূল্য বহু বেছি। আন কিছুমানে কম বস্তুত সন্তুষ্ট হৈ নিজৰ জীৱনটো সম্পূৰ্ণৰূপে জীয়াই থাকে। প্ৰকৃত সুখ কেৱল উপভোগতেই নহয়, ভাগ-বতৰাতো নিহিত হৈ থাকিব পাৰে।

গোটেই জীৱন কষ্ট কৰি সন্তানক ডাঙৰ-দীঘল কৰা এজন বুঢ়া মানুহ এদিন বাৰাণ্ডাত অকলে বহি থাকে। চৌপাশে সকলো আছে যদিও ঘনিষ্ঠ মানুহ নাই। তেতিয়াই তেওঁ বুজি পালে যে প্ৰকৃত ধন-সম্পত্তি হ'ল তেওঁৰ আপোনজনৰ মৰম। যদি আমি আমাৰ জীৱন শেষ হোৱাৰ আগতেই বুজি পাইছিলোঁ যে প্ৰেম আৰু সম্পৰ্কই প্ৰকৃত শক্তি, তেন্তে হয়তো এই শূন্যতাৰ অনুভৱৰ সৃষ্টি নহ'লহেঁতেন।

মানুহে গোটেই জীৱন দৌৰি ফুৰে, ইটোৰ পিছত সিটো লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰে। কিন্তু যদি এদিন তেওঁ উপলব্ধি কৰিব পাৰে যে তেওঁ অতদিন বিচাৰি ফুৰা সুখবোৰ দেখোন তেওঁৰ চৌদিশেই উৰি ফুৰিছে, তেন্তে হয়তো জীৱনৰ সৰু সৰু মুহূৰ্তবোৰেই এদিন আটাইতকৈ গুৰুত্বপূৰ্ণ হ'ব। জীৱনটো যিমানেই চলি থাকে সিমানেই সুখৰ সংজ্ঞাও সলনি হৈ হৈ গৈ থাকে।

কোনোৱে হয়তো ফুলৰ সুগন্ধিত আনন্দ পাব পাৰে, আন কোনোৱে বহুমূলীয়া উপহাৰত। কোনোৱে পাহাৰৰ শিখৰত থিয় হৈ অকলশৰীয়া অনুভৱ কৰে, আন কোনোৱে নদীৰ পাৰত বহি চঞ্চল গতিলৈ চাই চাই বিচাৰি পায় অকণমান সুখ। কোনোৱে প্ৰেমৰ বাহ্যিক প্ৰকাশ বিচাৰে, আন কোনোৱে নীৰৱ প্ৰেমত পূৰ্ণতা লাভ কৰে।

এটা সৰু চৰাইয়ে নিজৰ গীতেৰে মোহিত কৰে, আনহাতে ব্যস্ত চহৰৰ ধামুখুমীয়াত এজন ব্যক্তিয়ে সেই সুৰৰ আকৰ্ষণ হেৰুৱাই পেলায়। সৰু সৰু আনন্দৰ উপলব্ধিবোৰ প্ৰায়ে ইমানেই সাধাৰণ হৈ পৰে যে আমি সেইবোৰ উপলব্ধিও নকৰোঁ। কিন্তু সঁচাকৈয়ে এই সৰু সৰু মুহূৰ্তবোৰেই জীৱনটোক অৰ্থপূৰ্ণ কৰি তোলে।

জীৱনৰ বাটত খোজ দিওঁতে হয়তো এদিন আপুনি উপলব্ধি কৰিব যে সুখ কোনো নিৰ্দিষ্ট সীমাৰেখাৰে বান্ধ খাই নাথাকে। প্ৰকৃত আনন্দ এটা সৰু হাঁহি, অলপ যত্ন, শান্তিৰ মুহূৰ্তত লুকাই থাকিব পাৰে। সুখ হয়তো নিজৰ ধৰণেৰে অনুভৱ কৰিব পৰা বস্তু।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## অঞ্চলটোৰ বটবৃক্ষস্বৰূপ অনুষ্ঠানটোৰ বাবে এক কোটি টকাৰ অনুদান ঘোষণা

# পুৰণিগুদামৰ পুনঃনির্মিত বাপুজী ভৱনৰ দ্বাৰ উদঘাটন মুখ্যমন্ত্ৰীৰ




**ই-সংবাদ, পুৰণিগুদাম, ৩০ মার্চঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদামৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান ঐতিহ্যমণ্ডিত বাপুজী ভৱন আৰু পুথিভঁৰালৰ নৱনির্মিত ভৱনৰ আজি উদ্বোধন কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। বৃহত্তৰ পুৰণিগুদামৰ সকলো অনুষ্ঠানৰ বটবৃক্ষস্বৰূপ বাপুজী ভৱন আৰু পুথিভঁৰালটো ১৯৪৮ চনৰ ৩০ জানুৱাৰীত প্ৰতিষ্ঠা কৰা হৈছিল। তেতিয়াৰেপৰা পুৰণিগুদামৰ সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, শৈক্ষিক, ক্ৰীড়া, অৰ্থনৈতিক আদি দিশৰ উত্তৰণৰ বাবে কাম কৰি অহা বাপুজী ভৱন আৰু পুথিভঁৰালটো ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো চাৰিলেনযুক্ত পথলৈ উন্নীত কৰিবৰ বাবে এটা অংশ ভাঙি যোৱাৰ লগতে বাপুজী ভৱন খেলপথাৰত থকা গেলেৰী আৰু দোকানসমূহ ভঙা যায়। এই সমূহ ভঙাৰ বিনিময়ত বাপুজী ভৱন পুথিভঁৰাল পৰিচালনা সমিতিয়ে প্ৰায় দুই কোটি পঞ্চাশ লাখ টকা লাভ কৰে আৰু এই টকা বেংকত জমা ৰখাৰ বাবে টকাৰ পৰিমাণ তিনি কোটি হয়গৈ। এই টকাৰ সৎ ব্যৱহাৰ কৰি পৰিচালনা সমিতিয়ে পুথিভঁৰালটো আটকধুনীয়াকৈ নিৰ্মাণ কৰাৰ লগতে, প্ৰেক্ষাগৃহ, অধ্যয়ন কক্ষ, অতিথি গৃহ, অফিচ ৰুম আদি নিৰ্মাণ কৰি সেইসমূহৰ কাম সম্পূৰ্ণ কৰিছে যদিও বৃহৎ ভৱনটো টাইলছ, ছাউণ্ড ছিষ্টেমকে ধৰি আন বহুকেইটা কাম কৰিবৰ বাবে আৰু তিনি কোটি টকাৰ প্ৰয়োজন আছে। বৰ্তমান পুথিভঁৰাল নিৰ্মাণ অংশ ব্যৱহাৰ কৰিব পৰা হৈ আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ভৱনটো উদ্বোধন কৰি ভৱনটোৰ ভিতৰৰ অত্যাধুনিক ছাউণ্ড ব্যৱস্থাৰ বাবে এক কোটি টকা দিয়াৰ কথা ঘোষণা কৰে। পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক দ্বীপেন বৈৰাগীয়ে আঁতধৰা উদ্বোধনী সভাৰ উদ্দেশ্য আৰু বাখ্যা কৰে বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকাই। বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আদৰণি ভাষণ দিয়াৰ পিছতেই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰসংগত কয়-- ১৯৪৮ চনতে প্ৰতিষ্ঠা হোৱা এই ভৱনটো ১৯৫৪ চনতে চৰকাৰীভাৱে পঞ্জীভূত হৈছিল আৰু তেতিয়াৰেপৰা এই ভৱনটোৱে সফলতাৰে এক দীঘলীয়া পৰিক্ৰমা অতিক্ৰম কৰি আজিৰ তাৰিখত উপনীত হৈছে। ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ সময়ত পোৱা ধন আৰু পুৰণিগুদামবাসীৰ নিজা প্ৰচেষ্টা আৰু বিভিন্ন প্ৰকাৰে লাভ কৰা ধনৰে পুথিভঁৰালটো আজিৰ পৰ্যায়লৈ লৈ অহাটো গৌৰৱৰ কথা বুলি ডঃ শৰ্মাই উল্লেখ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আৰু কয়-- আমাৰ ৰাজ্যখনত যোৱা চাৰিটা বছৰে বিভিন্নধৰণৰ সামাজিক অনুষ্ঠান, নামঘৰ, মন্দিৰ, ঐতিহাসিক স্থানসমূহ সংৰক্ষণৰ বাবে আমাৰ চৰকাৰখনে বিভিন্ন প্ৰচেষ্টা হাতত লৈছে। এই প্ৰচেষ্টাৰ ফলতেই আমি নতুন প্ৰজন্মৰ মাজত সেইসমূহ চিনাকী কৰি দিবলৈ সক্ষম হৈছো। আমাৰ চৰকাৰখনে ৰাজ্যখনৰ চল্লিশ হাজাৰৰো অধিক নামঘৰক আৰ্থিক সাহায্য প্ৰদান কৰাৰ কথা উল্লেখ কৰি চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যৰ স্বীকৃতি প্ৰদান কৰাৰ কথা ভাষণত উল্লেখ কৰে। অসমীয়া ভাষাই আমাৰ চৰকাৰৰ দিনত ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা লাভ কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে লাচিত বৰফুকনৰ জীৱন গাঁথা ভাৰতৰ বিভিন্ন ভাষালৈ ৰূপান্তৰ কৰি প্ৰতিখন ৰাজ্যৰ পাঠ্যপুথিত আমি যাতে লাচিত বৰফুকনৰ বিষয়ে জানিব পাৰো তেনেধৰণৰ ব্যৱস্থা কৰা হৈছে। ভাষণ প্ৰসংগত তেওঁ আৰু কয়-- শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱাক আমি যিধৰণে সজাইপৰাই তুলিছো এই স্থান এক নতুন ধৰ্মীয় পৰ্যটন, আধ্যাত্মিক পৰ্যটনৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ হ'ব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী শৰ্মাই আৰু কয়-- সামাজিক অনুষ্ঠানসমূহৰ সন্মুখত ৰাষ্ট্ৰ নিৰ্মাণৰ এক বিশেষ ভূমিকা থাকে। এনেক্ষেত্ৰত আমাৰ চৰকাৰখনে দুৰ্গা পূজা, ভাওনা, বিহু আদি সামাজিক অনুষ্ঠানসমূহক আৰ্থিক সাহায্য প্ৰদান কৰি অহাৰ লগতে জিলা পুথিভঁৰালসমূহক নতুন ৰূপত সজাই তোলা হৈছে। আজি দুপৰীয়া আহি বাপুজী ভৱন আৰু পুথিভঁৰালৰ নৱনির্মিত ভৱনৰ উদ্বোধন কৰি বাপুজী ভৱন আৰু পুথিভঁৰালৰ নৱনির্মিত প্ৰেক্ষাগৃহত ৰাজহুৱা সভাৰ সম্বোধন কৰাৰ পিছতে মুখ্যমন্ত্ৰী ডঃ শৰ্মা বঢ়মপুৰ সমষ্টিৰ অধীনৰ ননৈ বৰগঞা মন্দিৰলৈ ৰাওনা হয়। দিনজোৰা কাৰ্যসূচীৰে আজি বঢ়মপুৰ সমষ্টিৰ বিভিন্ন উন্নয়নমূলক কামৰ শুভাৰম্ভ কৰিবলৈ অহা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগত মন্ত্ৰী পীযূষ হাজৰিকা, সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক ৰূপক শৰ্মা, শশীকান্ত দাস, দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থকাৰ উপৰিও কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ তুলিৰাম ৰংহাং আৰু বিজেপিৰ জিলা সভাপতি ৰঞ্জিত বৰদলৈ আৰু বিজেপিৰ দলৰ কেবাজনো নেতা-কৰ্মী উপস্থিত থাকে। আজি পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁড়ালৰ নৱনির্মিত ভৱনৰ উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাৰ উপৰিও জিলা প্ৰশাসনৰ বহুকেইগৰাকী মুৰব্বী বিষয়াৰ উপৰিও পুৰণিগুদামৰ কেবাজনো জ্যেষ্ঠ ব্যক্তি আৰু স্থানীয় লোকসকল উপস্থিত থাকে। সভাত মুখ্যমন্ত্ৰীগৰাকীক পুৰণিগুদাম ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়, পুৰণিগুদাম ৰাজ্যিক চিকিৎসালয়ৰ বিভিন্ন সমস্যাৱাজিৰ ওপৰত পৰিচালনা সমিতি দুখনে স্মাৰক-পত্ৰ প্ৰদান কৰাৰ লগতে পুৰণিগুদামৰ এটা বন্ধ হৈ থকা ৰে'লগেট পথচাৰীৰ বাবে মুকলি কৰি দিবলৈ স্মাৰক-পত্ৰ প্ৰদান কৰে। সভাৰ আৰম্ভণিতে মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মুখ্যমন্ত্ৰী শৰ্মাই। লগতে পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ প্ৰতিষ্ঠা কালৰ সদস্য দুলেন গায়নে মহাত্মা গান্ধীৰ প্ৰতিকৃতি উদ্বোধন কৰে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

## নিৰ্বাচনী তৎপৰতাৰে মাজুলীত অখিল গগৈঃ অৰুণোদয়ৰ নামত ডাঙৰ কেলেংকাৰী হৈ আছে

# যোৰহাট-মাজুলী দলঙক লৈ বিজেপিয়ে প্ৰতিশোধ পৰায়ণভাৱে নিকৃষ্ট ৰাজনীতি কৰিছে



**ই-সংবাদ, মধ্য মাজুলী, ৩০ মাৰ্চঃ** আম আদমী পাৰ্টিৰ শেহতীয়া স্থিতিৰ সুযোগ গ্ৰহণ কৰি ৰাইজৰ দলে দলটোৰ যুৱ শক্তিক ৰাইজৰ দলৰ প্ৰতি আকৃষ্ট কৰোৱা পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে আজি মাজুলীতো একালৰ আম আদমী পাৰ্টিৰ এগৰাকী নেতাৰ তৎপৰতাত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে ব্যাপক নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰে। আগন্তুক পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি মাজুলীত আজি ৰণশিঙা বজোৱাৰ উদ্দেশ্যে উপস্থিত হৈ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে প্ৰথমে যোৰহাট-মাজুলী সংযোগী দলঙৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰে। যোৰহাট-মাজুলী দলং প্ৰকল্পস্থলী পৰিদৰ্শন কৰি অখিল গগৈয়ে বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য কৰে। মাজুলীবাসীৰ আটাইতকৈ আকাংক্ষিত যোৰহাট-মাজুলী দলংখনৰ কাম অতি সোনকালে পুনৰ আৰম্ভ কৰিবলৈ দাবী উত্থাপন কৰি অখিল গগৈয়ে দলংখনক লৈ ৰাজ্য চৰকাৰৰ ৰহস্যজনক স্থিতিক লৈ কেইবাটাও বিস্ফোৰক মন্তব্য কৰে। শেহতীয়াকৈ দিল্লীৰপৰা একেখন বিমানতে অসমলৈ অহা ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ মন্ত্ৰীয়ে অখিল গগৈক যোৰহাট মাজুলী দলংখনক লৈ কোৱা কথাৰ উদ্ধৃতিৰে অখিল গগৈয়ে কয় যে ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ মন্ত্ৰীয়ে যোৰহাট মাজুলী দলংখন আৰু নহয় বুলি কৈছে। যোৱা লোকসভাৰ নিৰ্বাচনত মাজুলী তথা যোৰহাটবাসীয়ে গৌৰৱ গগৈৰ পক্ষত ভোট দিয়াৰ বাবেই দলংখনৰ নিৰ্মাণকাৰী সংস্থাক চৰকাৰে উঠাই লৈ গৈছে আৰু এতিয়া এনেয়ে কিবাকিবি হৈ থাকিব কিন্তু দলংখন আৰু নহয় বুলি জ্যেষ্ঠ মন্ত্ৰীগৰাকীয়ে কোৱা বুলি অখিল গগৈয়ে উল্লেখ কৰে। অখিল গগৈয়ে এই সন্দৰ্ভত আৰু কয় যে যদিহে সঁচাই মন্ত্ৰীগৰাকীয়ে কোৱাৰ কথাই সঁচা হয়, তেন্তে মাজুলীৰ মানুহে যিটো দলৰ প্ৰতি সদায় সমৰ্থন জনাই আহিছে আৰু লোকসভাৰ নিৰ্বাচনতো সংখ্যাগৰিষ্ঠ ভোট মাজুলীৰপৰা পোৱাৰ পিছতো যদি এনে কৰিছে তেন্তে ইয়াতকৈ নিকৃষ্ট ৰাজনীতি একো হ'ব নোৱাৰে বুলি তেওঁ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰতিশোধ পৰায়ণ ৰাজনীতি এৰিবলৈ আহ্বান জনায়। অখিল গগৈয়ে আৰু কয় যে মাজুলীৰ মানুহক শিক্ষা দিবৰ কাৰণে, যোৰহাট তথা উজনি অসমৰ মানুহক দিগদাৰ দিবৰ কাৰণে বিজেপি চৰকাৰে ইচ্ছাকৃতভাৱে যোৰহাট-মাজুলী দলংখন বন্ধ কৰি ৰাখিছে। মুখ্যমন্ত্ৰীয়ে দলংখন সন্দৰ্ভত কিবাকিবি কৈ আছে যদিও এতিয়ালৈকে দলঙৰ নিবিদা আহ্বান কৰা দেখা নাই। মুখ্যমন্ত্ৰীৰ সমষ্টিৰ উত্তৰ গুৱাহাটীৰ দলংখনৰ বাবে ২২ শ কোটি আৰু যোৰহাট-মাজুলীৰ দলংখনৰ বাবে ৯ শ কোটি দিওঁতেই দলংখনক লৈ সকলোৰে সন্দেহ আছিল। আৰু এতিয়া তাৰেই প্ৰমাণ পোৱা গৈছে। এয়া হিমন্ত বিশ্ব শৰ্মাৰে কুটিল ৰাজনীতি বুলি তেওঁ উল্লেখ কৰি আৰু কয় যে সৰ্বানন্দ সোনোৱালেও তেওঁক মুখ্যমন্ত্ৰী পতা এসময়ৰ নিজৰ সমষ্টি মাজুলীৰ মানুহক এইখিনি সময়ত সহায় কৰিবলৈ সক্ষম, কিয়নো তেওঁ কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী। গতিকে তেওঁ দিল্লীত থাকোঁতেই তৎপৰতা গ্ৰহণ কৰি দলংখনৰ পুনঃ নিবিদা আহ্বান কৰি দলংখনৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিব লাগে বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ পিছতেই বিধায়কগৰাকীয়ে জেংৰাই মুখস্থিত বৰপমুৱা ৰংগমঞ্চত এখন ৰাজহুৱা সভা সম্বোধন কৰে। উক্ত সভাতে আম আদমী পাৰ্টিৰপৰা নতুনকৈ ৰাইজৰ দলত যোগদান কৰা বিকি পেগুৰ নেতৃত্বতে শতাধিক লোকে ৰাইজৰ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। সভাত অংশগ্ৰহণ কৰি অখিল গগৈয়ে কয় যে মাজুলীত সন্মিলিত ঐক্য মঞ্চৰ হৈ কংগ্ৰেছ বা ৰাইজৰ দলৰ এগৰাকী স্থানীয় প্ৰাৰ্থী মাজুলীত প্ৰক্ষেপ কৰি নিমাতি কইনা, বিধান সভাত এটাও শব্দ ক'ব নোৱাৰা, বিধান সভাত টোপনি মৰা বিধায়কগৰাকীক বিদায় দিব লাগিব। ইফালে, আগন্তুক বিধান সভা নিৰ্বাচন সন্দৰ্ভত তেওঁ কয় যে ২০২৬ চনত অসমৰপৰা বিজেপিৰ চৰকাৰখনক ব্ৰহ্মপুত্ৰত দলিয়াই দিবৰ কাৰণে আমি অভিযান অব্যাহত ৰাখিছো। ২০২৪ বৰ্ষৰ ২৬ অক্টোবৰৰপৰা ঘৰৰপৰা ওলাইছো আৰু সেইদিনাৰপৰা ২০২৬ চনৰ বিধান সভাৰ নিৰ্বাচনলৈকে অসম ঘূৰি ফুৰাৰ সিদ্ধান্ত লৈছো আৰু অসমবাসীক ঐক্যবদ্ধ কৰিব খুজিছো আৰু মূল্যবৃদ্ধি কৰি অসমৰ ৰাইজক কোঙা কৰি পেলোৱা বিজেপিক ২৬ত হৰুৱাৰ বাবে আমি পণ লৈছো বুলি অখিল গগৈয়ে উল্লেখ কৰে। ইফালে মাজুলীৰ পকাজৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত বালিজকাইবোৱাতো আন এখন দলীয় সভাত তেওঁ অংশগ্ৰহণ কৰে। ইফালে, সাংবাদিকৰে হোৱা চমু এক সাক্ষাৎকালত ৰাজ্যৰ বিৰোধী ঐক্যৰ বৰ্তমানৰ স্থিতিক লৈ সোধা প্ৰশ্নৰ উত্তৰত গগৈয়ে কয় এইবাৰ খুউব ভালকৈ আলোচনা হৈছে। এইবাৰ নিশ্চিত থাকক বিৰোধীপক্ষৰ সকলো ৰাজনৈতিক দল ঐক্যমঞ্চত থাকিব। কংগ্ৰেছ, ৰাইজৰ দল, চিপিআই, চিপিএম, অসম জাতীয় পৰিষদ যিমানবিলাক ৰাজনৈতিক দল আছে একেলগ হ'ম আৰু আগন্তুক ২০২৬ চনত আমি বিজেপিক হৰুৱাম আৰু অসমৰ মানুহে বিজেপিক বিদায় দিবৰ বাবে সাজু হৈ ৰৈ আছে। ইফালে, অখিল গগৈয়ে একেসময়তে অৰুণোদয় হিতাধিকাৰীৰ নামত ৰাজ্যত ডাঙৰ কেলেংকাৰী হৈ আছে বুলি অভিযোগ কৰি কয় যে বিজেপিৰ চৰকাৰে অৰুণোদয় আঁচনিক সম্পূৰ্ণৰূপে বিজেপিকৰণ কৰিছে। শিৱসাগৰ সমষ্টিতে আবেদন কৰা ৪২ হাজাৰ মহিলাৰ পৰিৱৰ্তে কেৱল ২৮ হাজাৰ মহিলাকহে অৰুণোদয় দিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। দুমহলীয়া, চাকৰি থকা মানুহেও এই আঁচনিত সোমাইছে। তাৰ বিপৰীতে যোগ্য হিতাধিকাৰীৰ নাম কৰ্তন কৰিছে আৰু সেই কাৰণে চাৰিওফালে এতিয়া মানুহ অসন্তুষ্ট বুলি উল্লেখ কৰি তেওঁ মুখ্যমন্ত্ৰীক প্ৰতিশ্ৰুতি অনুসৰি ৰেচন কাৰ্ড থকা প্ৰতিগৰাকী হিতাধিকাৰীক অৰুণোদয় দিবলৈ আহ্বান জনায়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## ৰে'লৰে উৰণীয়া সেতু-কপিলীৰ দলং উদ্বোধন, বড়মপুৰক সৰ্বশ্ৰেষ্ঠ সমষ্টি কৰি তোলাৰ প্ৰতিশ্ৰুতি

# কামপুৰত হাতীৰ পিঠিত উঠি অতীত স্মৃতি ৰোমন্থন মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ

**ই-সংবাদ, কামপুৰ, ৩০ মাৰ্চঃ** আজি বিয়লি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়মপুৰ সমষ্টিৰ কামপুৰত উপস্থিত হৈ বহু অপেক্ষাৰত ৰে'লৰে উৰণীয়া সেতুৰ ফিটাকাটি ৰাইজৰ বাবে উদ্বোধন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ককাদেউতা নাতি আৰু হাতী বোলছবিৰ জৰিয়তে বাল্যকালৰ স্মৃতিজড়িত কপিলী নদীৰ পুৰণা দলংখনক ৰাকিং জ'ন কৰি তাৰ কাষতে নিৰ্মিত নতুন দলংখনো উদ্বোধন কৰে। ইয়াৰ পিছতে কামপুৰ তৰুণ খেলপথাৰত মুখ্যমন্ত্ৰীয়ে এক বৃহত্তৰ ৰাজহুৱা সভাত ভাগ লয়। বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে আদৰণি ভাষণ দিয়া ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে কামপুৰবাসীৰ বাবে আজি এক ঐতিহাসিক দিন বুলি উল্লেখ কৰি বড়মপুৰ সমষ্টিক অসমৰ ভিতৰতে শ্ৰেষ্ঠ সমষ্টি হিচাপে গঢ়ি তুলিব বুলিপ্ৰতিশ্ৰুতি প্ৰদান কৰে। ৰাজ্যৰ সৰ্বত্ৰে উন্নয়নৰ জোঁৱাৰ উঠিছে বুলি উল্লেখ কৰি তেওঁ অৰুণোদয়, নিযুত মইনা, লাখপতি বাইদেউ আৰু আত্মসহায়ক গোটৰ মহিলাসকলৰ উন্নয়নে ৰাজ্যখনত এক নতুন দিগন্তৰ সূচনা কৰিছে বুলি উল্লেখ কৰে। কামপুৰ তৰুণ খেলপথাৰৰ ষ্টেডিয়াম নিৰ্মাণৰ বাবে পুনৰ দহ কোটি টকা মোকলাই দিয়াৰ কথা কৈ অহা এক এপ্ৰিলৰ পৰা বিদ্যুৎ মাচুল প্ৰতি ইউনিটত এটকাকৈ হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। বিহু, ঝুমুৰ আদিয়ে বিশ্বত স্থান দখল কৰিছে বুলি উল্লেখ কৰি ৰাজ্যখনৰ প্ৰায়বোৰ ধৰ্মাৱলম্বী লোকৰ কথা কৈ আমোদ পোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে কালিলৈ অনুষ্ঠিত হ'বলগীয়া ইছলাম ধৰ্মাৱলম্বী লোক ৰঈদোৎসৱ উপলক্ষে এটা শব্দও উচ্চাৰণ নকৰাত মঞ্চত বহি থকা সংখ্যালঘু লোকৰ মাজত মৃদু প্ৰতিক্ৰিয়া হোৱা পৰিলক্ষিত হয়। ৰাজ্যত ভাবিব নোৱাৰা তথা সীমাহীন উন্নয়ন হৈছে বুলি বাৰম্বাৰ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৩৫০ৰ কৌটি ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ ওলোৱা কচুৱা, কামপুৰ, চামগুৰি, যমুনামুখ আৰু খাটোৱাল আৰক্ষী নিৰেশৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীক সংগ দিয়ে মন্ত্ৰী পীয়ুষ হাজৰিকা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ তুলিৰাম ৰংহাং, বিজেপি নেতা বাবুল বৰা, সুৰেশ বৰা, বিভূতিভূষণ বৰঠাকুৰ, ধৰিত্ৰী বৰুৱাই।

# গুণোৎসৱত গান্ধীজী প্ৰাথমিক বিদ্যালয়ৰ এ-প্লাছ গ্ৰেড

**ই-সংবাদ, বেৰেজীয়া, ৩০ মাৰ্চঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ পূব হাতীচোংস্থিত অগ্ৰণী শিক্ষানুষ্ঠান গান্ধীজী প্ৰাথমিক বিদ্যালয়ে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বৃহস্পতিবাৰে ঘোষণা কৰা ২০২৫ বৰ্ষৰ বিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ মান নিৰ্ণায়ক গুণোৎসৱৰ ফলাফলত সন্তোষজনক সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ খাগৰিজান শিক্ষাখণ্ডৰ অন্তৰ্গত ১৯৫৬ চনতে স্থাপিত এই বিদ্যালয়খনে এইবাৰ গুণোৎসৱৰ ফলাফলত এ-প্লাছ গ্ৰেড লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইতিমধ্যে ৬৮ টি বছৰ গৰকা এই বিদ্যালয়খনে এনে ঈৰ্ষণীয় ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল স্বাভাৱিকতেই উৎফুল্লিত হৈ পৰিছে। প্ৰতিবছৰে ধাৰাবাহিকভাৱে শিক্ষাৰ ক্ষেত্ৰতো উন্নত ফলাফল প্ৰদৰ্শন কৰি অহা বিদ্যালয়খনৰ গুণোৎসৱৰ এনে ফলাফলত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰি ইয়াৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষক পৱনজ্যোতি বৰাৰ লগতে বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীক কৃতজ্ঞতা জনাইছে।

# নগাঁৱৰ সাংবাদিক মানৱজ্যোতি বৰালৈ লাইফ টাইম এচিভমেণ্ট এৱাৰ্ড

**ই-সংবাদ, বেৰেজীয়া, ৩০ মাৰ্চঃ** নগাঁৱৰ জ্যেষ্ঠ সাংবাদিক তথা সাংস্কৃতিক কৰ্মী মানৱজ্যোতি বৰালৈ আগবঢ়োৱা হৈছে লাইফ টাইম এচিভমেণ্ট এৱাৰ্ড। এই সন্মান আগবঢ়াইছে সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদে। যোৱা ২৯ মাৰ্চত কলকতাৰ নেতাজী সুভাষ চন্দ্ৰ বসু ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ সোণালী জয়ন্তী বৰ্ষৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই এৱাৰ্ড মানৱজ্যোতি বৰাক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। দেশৰ বিভিন্ন প্ৰান্তৰ বহুকেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত এই এৱাৰ্ড প্ৰদান কৰে এডমাছ ইউনিভাৰ্চিটিৰ প্ৰফেছৰ সুৰঞ্জন দাস আৰু প্ৰফেছৰ সমিত ৰয়ে। উল্লেখ্য যে সাংবাদিকতাৰ সমান্তৰালভাৱে সাংস্কৃতিক ক্ষেত্ৰখনৰ লগত জড়িত হৈ থকা মানৱজ্যোতি বৰাই সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰপৰা ইতিমধ্যে আবৃত্তি ৰত্ন উপাধি লাভ কৰি এই অনুষ্ঠানৰ পৰীক্ষক হিচাপে কাম কৰি আহিছে। তদুপৰি তেওঁ অসমৰ বিখ্যাত চিত্ৰশিল্পী সুজিত দাসৰ সহযোগত চিত্ৰশিল্প আৰু আবৃত্তিৰ প্ৰসাৰৰ কাৰণে যোৱা প্ৰায় ২৫ বছৰ ধৰি কাম-কাজ ৰূপায়ণ কৰি আহিছে। মানৱজ্যোতি বৰাই এনে সন্মান লাভ কৰাৰ খবৰে নগাঁও সচেতন মহলক উৎফুল্লিত কৰি তুলিছে।

# মাহৰিআটিত তীব্ৰবেগী ডাম্পাৰে মহটিয়ালে বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰ

**ই-সংবাদ, বেৰেজীয়া, ৩০ মাৰ্চঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰত বিগত কিছুদিন ধৰি মাটি কঢ়িওৱা ডাম্পাৰ আৰু ট্ৰেক্টৰৰ চূড়ান্ত দৌৰাত্ম্য অব্যাহত থকাৰ সময়তে জিলাখনৰ বেৰেজীয়াৰ নিচেই সমীপৰ মাহৰিআটিত শনিবাৰে নিশা প্ৰায় ৯.৩০ বজাত এখন তীব্ৰবেগী ডাম্পাৰে সংঘটিত কৰা এক ভয়ানক দুৰ্ঘটনাই ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি কৰিছে। বেৰেজীয়া-ঘাঁহী-দক্ষিণপাট সংযোগী গড়কাপ্তানি পথটোৰে তীব্ৰবেগত যোৱা এ এছ-০২-এ চি ০৭৩৬ নম্বৰৰ ডাম্পাৰখনে নিয়ন্ত্ৰণ হেৰুৱাই পথচ্যুত হৈ পথৰ কাষৰ বিদ্যুত পৰিবাহী তাঁৰবোৰ ছিঙি নিয়াৰ লগতে এটা বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰত খুন্দা মাৰে। ফলত ট্ৰেন্সফৰ্মাৰটো বিকট শব্দৰে জ্বলি উঠে আৰু লগে লগে বিদ্যুৎ সেৱা বিছিন্ন হৈ পৰে। তদুপৰি উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰবোৰ পথৰ ওপৰত পৰি ৰোৱাত পথটোৰে যাতায়াত ব্যাহত হৈ পৰে। ঘটনাৰ আকস্মিকতাত সমগ্ৰ অঞ্চলটোতে হুৱাদুৱা পৰিস্থিতিৰ সৃষ্টি হয় আৰু বহুলোক পথলৈ ওলাই অহাত পৰিস্থিতি উত্তপ্ত হৈ পৰে। পিছত স্থানীয় ৰাইজে তৎপৰতাৰে ট্ৰেন্সফৰ্মাৰৰ জুই নিৰ্বাপিত কৰাত সমগ্ৰ অঞ্চলটো একপ্ৰকাৰে ভয়াবহ বিপদৰ পৰা ৰক্ষা পৰে। অৱশ্যে দুৰ্ঘটনাটো সংঘটিত কৰিয়েই ডাম্পাৰৰ চালকজনে কৌশলেৰে পলায়ণ কৰে। উল্লেখ্য যে উক্ত ব্যস্ততাপূৰ্ণ পথটোত বিগত সময়ছোৱাত মাটি কঢ়িওৱা ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্যৰ বাবেই বহুকেইটা সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# অৰুণাচলৰ নেৰিষ্টত সাদিনীয়া বিহু কৰ্মশালা

**ই-সংবাদ, বেবেজীয়া, ৩০ মাৰ্চঃ** অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহু নিচেই সমাগত। ৰাজ্যৰ সৰ্বত্ৰে চলিছে বিহুটিক আদৰাৰ প্ৰস্তুতি। সাজু হৈছে ঢুলীয়া, নাচনী। গাঁৱে-ভূঞে এতিয়া চলি আছে বিহুনাচ, ঢোলবাদনৰ কৰ্মশালা। চাৰিওফালে শুনা গৈছে ঢোলৰ গোমগোমনি। অসমৰ চৌদিশে অব্যাহত থকা বিহুকেন্দ্ৰীক ব্যস্ততাৰ মাজতে ৰঙালীৰ ৰঙীণ মাদকতাই স্পৰ্শ কৰিছে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশতো। কিয়নো, অসমৰ বিভিন্ন প্ৰান্তৰ দৰে অৰুণাচল প্ৰদেশৰ নিৰজুলিত অৱস্থিত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰণী শিক্ষানুষ্ঠান নেৰিষ্টতটো আগন্তুক ৰঙালী বিহু উপলক্ষে এক সাদিনীয়া বিহু কৰ্মশালা অনুষ্ঠিত হৈছে। জানিব পৰা মতে, এই কৰ্মশালত শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আন আগ্ৰহী লোকসকলকো বিহুনাম, বিহুনাচ, ঢোলবাদন, পেঁপাবাদন আদিৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে শনিবাৰে অনুষ্ঠিত হোৱা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে নেৰিষ্টৰ সঞ্চালক অধ্যাপক নৰেন্দ্ৰনাথ এচদেৱে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উপস্থিত থাকি ইলেকট্ৰনিকছ এণ্ড কমিউনিকেশন বিভাগৰ অধ্যাপিকা জয়ত্ৰী বৰা হাজৰিকাই অসমীয়া জাতীয় সংস্কৃতিৰ বিষয়ে সাৱলীল বক্তব্য দাঙি ধৰে। নেৰিষ্ট ৰঙালী বিহু উদযাপন সমিতি ‘লুইত-২০২৫’ৰ সাধাৰণ সম্পাদক প্ৰাণজিত বৰাই শুভাৰম্ভ কৰা অনুষ্ঠানটিৰ অন্তত কাৰ্যকৰী সভাপতি দিক্ষীত গগৈয়ে সকলোকে শলাগৰ শৰাই আগবঢ়ায়। প্ৰায় দহ গৰাকী প্ৰশিক্ষকৰ উপস্থিতিৰে অনুষ্ঠিত হোৱা এই কৰ্মশালাত ইতিমধ্যে ৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাজ্যখনৰ বহুসংখ্যক আগ্ৰহী ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে। ইফালে, নেৰিষ্ট ৰঙালী বিহু উদযাপন সমিতি লুইত-২০২৫ৰ সভাপতি মানৱজ্যোতি হাজৰিকাই অসমৰ উপৰিও আন আন ৰাজ্যৰ যুৱক-যুৱতীসকলে এই বিহু কৰ্মশালাখনত অংশগ্ৰহণ কৰাটো এক ইতিবাচক দিশ বুলি অভিহিত কৰিছে। অহা ৫ এপ্ৰিলত এই কৰ্মশালাটিৰ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত অঘটন

**ই-সংবাদ, দুনী, ৩০ মাৰ্চঃ** দৰঙৰ পাথৰিঘাট স্বাস্থ্যকেন্দ্ৰত অঘটন। দুৰ্ঘটনাত আহত ব্যক্তিৰ মৃত্যুক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় চিকিৎসালয়খনত। মৃত ব্যক্তিৰ আত্মীয়ই উত্তাল কৰি তোলে চিকিৎসালয় চৌহদ। পাথৰিঘাট আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব লগা হয়। মূলতঃ চিকিৎসাৰ অভাৱত দুৰ্ঘটনাত আহত ব্যক্তি মৃত্যুমুখত পৰাৰ অভিযোগ উত্থাপন কৰি কৰ্তব্যৰত স্বাস্থ্যকৰ্মীক মাৰপিট কৰাৰো অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে স্বাস্থ্যকৰ্মীক মাৰপিটৰ অভিযোগত ইতিমধ্যে এজনক আটক কৰে। প্ৰাপ্ত বাতৰি অনুসৰি, খটৰাৰ ধনপতি কলিতা নামৰ লোক এজন আজি নিজ বাসগৃহতে পৰি গুৰুতৰভাৱে আহত হয়। লগে লগে পৰিয়ালৰ লোকে ১০৮ সেৱাৰ জৰিয়তে পাথৰিঘাট খণ্ড প্ৰাথমিকস্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰায়। কিন্তু ক্ষন্তেক পাছতে মৃত্যু হয় আহত ধনপতি কলিতাৰ। সময়মতে চিকিৎসা নোপোৱাৰ বাবে লোকজনৰ মৃত্যু হোৱা বুলি দাবী কৰে আত্মীয়ই। চিকিৎসাকৰ্মীৰ গাফিলতিৰ বাবে লোকজনৰ মৃত্যু হোৱা বুলি দাবী কৰি মৃতকৰ এগৰাকী পুত্ৰই দুই চিকিৎসাকৰ্মীক মাৰধৰ কৰাৰ অভিযোগ কৰিছে কৰ্তব্যৰত চিকিৎসাকৰ্মীয়ে। ইয়াৰ পাছতে ঘটনাস্থলীত পাথৰিঘাট আৰক্ষীৰ এটা দল উপস্থিত হৈ আটক কৰে মৃতকৰ বৰপুত্ৰ কৌশিক ৰাজ কলিতাক। আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ইতিমধ্যে মঙলদৈলৈ প্ৰেৰণ কৰা হৈছে।

# ডিব্ৰুগড়ত ৰূপকোঁৱৰৰ ‘শোণিত কুঁৱৰী’ৰ শতবৰ্ষ উপলক্ষত নাট্যসন্ধ্যা

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ মাৰ্চঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাট শোণিত কুঁৱৰীৰ শতবৰ্ষ পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড় আৰ্ট প্লেয়াছ ছ'চাইটী আৰু তিলক দুৱৰা-গোলাপ শৰ্মা স্মৃতিৰক্ষা ন্যাসৰ উদ্যোগত তথা পথাৰ শিল্পশালাৰ সহযোগত অহা ৫ আৰু ৬ এপ্ৰিল, শনি আৰু দেওবাৰে দুদিনীয়াকৈ ডিব্ৰুগড়ৰ আমোলাপট্টি নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত শোণিত কুঁৱৰী নাটখনি মঞ্চায়ণ কৰিবলৈ লোৱা হৈছে। ইতিমধ্যে নাটকখনৰ আখৰা পূৰ্ণগতিত হৈ আছে। নাটখনিৰ পৰিকল্পনা আৰু পৰিচালনা প্ৰদীপ দুৱৰাৰ। উল্লেখযোগ্য যে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি শোণিত কুঁৱৰী নাটখনি ১৯২৫ চনত ডিব্ৰুগড়স্থিত আমোলাপট্টি নাট্য মন্দিৰত মঞ্চস্থ কৰা হৈছিল। শোণিত কুঁৱৰী নাটখনি ৰচনা কৰাৰ এশ বছৰ পূৰ্ণ হোৱাৰ শুভক্ষণত ডঃ কল্যাণ বৰুৱাৰ সম্পাদনাত 'জ্যোতিপ্ৰপাত' নামৰে এখনি সৰ্বাংগসুন্দৰ স্মৃতিগ্ৰন্থও প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতি সন্মান জনাই মঞ্চস্থ কৰিবলৈ লোৱা বহু সমদৃত শোণিত কুঁৱৰী নাটখনি উপভোগ কৰিবলৈ উদ্যোক্তাসকলৰ হৈ ডিব্ৰুগড় আৰ্ট প্লেয়াছ ছ'চাইটীৰ সভাপতি ডাঃ প্ৰকাশ বৰুৱা আৰু সম্পাদক অনিল দুৱৰাই সকলো নাট্যপ্ৰেমী ৰাইজক দুয়োটা দিনতে উপস্থিত থাকিবলৈ বিনম্ৰতাৰে অনুৰোধ জনাইছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES

# ডিব্ৰুগড়ত উন্নয়নমূলক আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা সৰ্বানন্দ সোণোৱালৰ

**ই-সংবাদ, ডিব্ৰুগড়, ৩০ মাৰ্চঃ** ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত ২৯ মাৰ্চত জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতিৰ (দিশা) বৈঠক অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই বৈঠকত বিভিন্ন বিভাগৰ অধীনত জিলাখনত ৰূপায়ণ হৈ থকা উন্নয়নমূলক আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বিষয়ে বিতংভাৱে পৰ্যালোচনা কৰা হয়। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিপুল কুমাৰ দাসে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতি বিষয়ে বিতংভাৱে বৰ্ণনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চৰকাৰী নীতি-নিৰ্দেশনা আৰু নিয়মসমূহ মানি চলি আঁচনিৰ পুঁজিৰ সঠিক ব্যৱহাৰৰ বাবে বিভাগসমূহক নিৰ্দেশ দিয়ে। তেওঁ লোকনিৰ্মাণ (পথ) বিভাগৰ দ্বাৰা বিভিন্ন আঁচনিৰ অধীনত জিলাখনৰ বিভিন্ন স্থানত পকীপথ আৰু দলঙৰ নিৰ্মাণ তথা উন্নীতকৰণ সন্দৰ্ভতো বুজ লয়। তেওঁ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, অসম মালাৰ অগ্ৰগতিৰ সবিশেষ বুজ লয়। বাট-পথৰ উন্নীতকৰণৰ দিশত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি সময়মতে আঁচনিসমূহৰ সফল ৰূপায়ণ সুনিশ্চিত কৰিবলৈয়ো তেওঁ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিটো বিভাগকে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ কাম গুৰুত্ব সহকাৰে সময়মতে সম্পাদন কৰিবলৈ আহ্বান জনায়। বিভাগীয় প্ৰতিটো আঁচনিৰ বিষয়ে ৰাইজ মাজত সজাগতা সৃষ্টি কৰিবলৈও নিৰ্দেশ দিয়ে। এই বৈঠকত অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, নিয়োগ, স্বাস্থ্য শিক্ষা আৰু গৱেষণা (প্ৰধানমন্ত্ৰী আয়ুষ্মান যোজনা) বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰচ গোৱালা, খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা, লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকা, জিলা আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া ভি ভি সন্দীপ, মহকুমাধিপতি সদৰ অৰ্জিত মহাজন প্ৰমুখ্যে জিলাখনৰ আটাইকেইটা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াসকল লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## মুছলপুৰত ইউপিপিএলৰ মুখপাত্ৰৰ মন্তব্য, বিটিচি নিৰ্বাচনক লৈ সৰ্বত্ৰে কুচকাৱাজ আৰম্ভ

# প্ৰমোদ বড়ো অবিহনে বিটিআৰৰ চীফ হ'ব নোৱাৰে আন কোনো ব্যক্তিঃ ৰাকেশ

**ই-সংবাদ, মুছলপুৰ, ৩০ মাৰ্চঃ** মই ইউপিপিএলৰ মুখপাত্ৰ হিচাপে কৈছো। বিটিচিৰ পৰিষদীয় নিৰ্বাচনত ইউপিপিএল দলৰ হৈ একমাত্ৰ প্ৰমোদ বড়ো জয়ী হ'লেও তেওঁৱেই হ'ব বিটিআৰৰ চীফ। প্ৰমোদ বড়ো অবিহনে বিটিআৰৰ চীফ আন কোনেও হ'ব নোৱাৰে। এই মন্তব্য বিটিচিৰ কাৰ্যবাহী সদস্য তথা ৰাজনৈতিক দল ইউপিপিএলৰ মুখপাত্ৰ ৰাকেশ ব্ৰহ্মৰ। আজি বাকসা জিলাৰ অদালবাৰীত এখন অত্যাধুনিক স্পা মুকলিৰ পাছতে সাংবাদিকৰে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত তেওঁ কয় যে প্ৰমোদ বড়োৰ সমাদৰ বৃদ্ধি পাইছে। যাৰবাবে তেওঁ বিটিআৰৰ বাহিৰতো সুযোগ-সুবিধা লাভ কৰিছে। দেশৰ লগতে বিদেশতো প্ৰমোদ বড়োৰ মৰ্যাদা বৃদ্ধি হৈছে। তেওঁ বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীক গাঁওবুঢ়া বুলিও কটাক্ষ কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে বিটিআৰ প্ৰধানপ্ৰমোদ বড়োক দিল্লী, নাগপুৰত গৈ পলাই থকা বুলি মন্তব্য কৰিছিল। ইয়াৰ উপৰি তেওঁক জাম্বাঅৰ্থাৎ বুৰ্বক আখ্যা দিছিল। কিন্তু আজি ৰাকেশ ব্ৰহ্মই কয় যে হাগ্ৰামা মহিলাৰীয়ে প্ৰমোদ বড়োক জাম্বা আখ্যা দিছে যদিও সেইজন হাগ্ৰামা মহিলাৰী সন্দৰ্ভত তেওঁৰেই দলৰ নেত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মই কৈছিল যে হাগ্ৰামা মহিলাৰীৰ কোনো শিক্ষা নাই। গতিকে শিক্ষা নথকা লোককহে জাম্বা বুলি কয়। এইক্ষেত্ৰত জাম্বা কোন বুলি প্ৰশ্ন কৰে ইউপিপিএলৰ মুখপাত্ৰগৰাকীয়ে। লগতে আগন্তুক বিটিচি নিৰ্বাচনত ইউপিপিএলৰ দখল নাথাকিব বুলি হাগ্ৰামা মহিলাৰীয়ে কৰা অনুমান নস্যাৎ কৰি ইউপিপিএলৰ মুখপাত্ৰ ৰাকেশ ব্ৰহ্মই কয় যে আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনত ইউপিপিএলৰ একমাত্ৰ প্ৰাৰ্থী হিচাপে প্ৰমোদ বড়ো জয়ী হ'লেও তেওঁকেই ২০২৫-৩০ কাৰ্যকালৰ বাবে বিটিআৰপ্ৰধান পাতিব। অহা নিৰ্বাচনত জয়ী হৈ পুনৰবাৰ বিটিচিৰ চীফ পাতিবলৈ এনডিএৰ সভাত সিদ্ধান্ত লোৱা হৈছে বুলি উল্লেখ কৰে। হাগ্ৰামা মহিলাৰীক পুনৰ শাসনভাৰ দিব লাগে বুলি প্ৰমিলা ৰাণী ব্ৰহ্মই কৰা মন্তব্য প্ৰসংগত কয় যে হাগ্ৰামা মহিলাৰীক শাসনভাৰৰ সুযোগ কিয় দিব লাগে। যোৱা সোতৰ বছৰীয়া শাসনকালত হোটেল, ৰেষ্টুৰেণ্ট, ক্ৰেচাৰ মেচিন, নাৰ্চিং হোম আদিকে ধৰি বহু সম্পত্তি গঢ়িলে। গতিকে তেওঁক পুনৰ শাসনৰ সুযোগ দি বিটিআৰ ধ্বংস কৰিবলৈ দিব নোৱাৰি। তেওঁৰ শাসনৰ সময়ত বহু আন্দোলনকাৰী বিএলটি যুৱকৰ মৃত্যু হ'ল, বহু মহিলা বিধৱা হ'ল। তথাপিও তেওঁ এইসকল লোকৰ খবৰ আজিও নল'লে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে ৰাকেশ ব্ৰহ্মই।

# বেছিমাৰী উঃ মাঃ বিদ্যালয়ত শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, খাৰুপেটীয়া, ৩০ মাৰ্চঃ** দৰঙৰ বেছিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষয়িত্ৰী জৰ্জিনা বেগমে সুদীৰ্ঘ তিনিটা দশক একেখন বিদ্যালয়ত চাকৰি সেৱা কৰি অৱসৰগ্ৰহণ কৰে। কালি চাকৰিৰ অন্তিমটো দিনত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু পৰিচালনা সমিতিয়ে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। বৰদৌলগুৰিৰ এটা শিক্ষিত পৰিয়ালত জন্মগ্ৰহণ কৰা আৰু মঙলদৈ নগৰবাহীৰ বোৱাৰী জৰ্জিনা বেগমক ২০২৩ চনত দৰং জিলা প্ৰশাসনে আগবঢ়োৱা জিলা কৃতী শিক্ষকৰ বঁটা লাভ কৰিছিল। জৰ্জিনা বেগমে ১৯৯৫ চনৰ ৭ এপ্ৰিলত কলাইগাঁও ছোৱালী হাইস্কুলত যোগদান কৰি এমাহ পিছতে বদলি হৈ বেছিমাৰী উঃ মাঃ বিদ্যালয়খনত যোগদানৰ পৰাই একনিষ্ঠ সেৱাৰ মনোবৃত্তিৰে ছাত্ৰ-ছাত্ৰীক বিজ্ঞান শিক্ষাৰ অগাধ জ্ঞান প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বিদ্যালয়ৰ পাঠদানৰ উপৰিও ইক' ক্লাব, বেছিমাৰী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ লগতো জড়িত আছিল। জিলাখনৰ বিভিন্ন বিদ্যালয়ত বিজ্ঞান প্ৰদৰ্শনীত ছাত্ৰ-ছাত্ৰীক লৈ প্ৰতিনিধিত্ব কৰিছিল। বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা জিলঙনিৰ ২০০৬ চনৰপৰাই তত্বাৱধায়িকাৰ দায়িত্ব লৈ নিয়াৰিকৈ প্ৰকাশ কৰি আহিছিল। কালি বিদায়ক্ষণত অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা সমিতি-প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত বিদায়ী সভাত অৱসৰপ্ৰাপ্ত জৰ্জিনা বেগমক ফুলাম গামোচা আৰু জাপিৰে সম্বৰ্ধনা জনায়। ভাষণত বিদ্যালয়ৰ অধ্যক্ষ ছাচুল হক, উপাধ্যক্ষ মজিবুৰ ৰহমান, পৰিচালনা সমিতিৰ সভাপতি হবিবুৰ ৰহমান, অৱসৰী বিষয় শিক্ষয়িত্ৰী নুৰনেহাৰ বেগম, বিষয় শিক্ষয়িত্ৰী বুৰহানা বেগম, শাৰীৰিক নিৰ্দেশক মোবাৰক হুছেইন, তাইজুদ্দিন আহমেদ, প্ৰাক্তন ছাত্ৰ হাফিজুৰ ৰহমান আদিয়ে বিদায়ী জৰ্জিনা বেগমৰ একনিষ্ঠ সেৱাক স্মৰণ কৰে। বিদায়ী ভাষণত জৰ্জিনা বেগমে বিদ্যালয়খনৰ প্ৰতি থকা মৰম আৰু একনিষ্ঠ সেৱাৰ মধুৰ স্মৃতিবোৰ সুঁৱৰি আৱেগিক হৈ পৰে। তেখেতে বিদ্যালয়ৰ স্মৃতি বিজড়িত মুহূৰ্তৰ ফটো অধ্যক্ষৰ হাতত অৰ্পণ কৰে। পৰিৱেশ ৰক্ষাৰ প্ৰতিও সদা সচেতন বিদায়ী শিক্ষয়িত্ৰীগৰাকীয়ে অনুষ্ঠানৰ সামৰণিত বিদ্যালয় চৌহদত এজোপা ক'লা জামু গছ ৰোপণ কৰে।

# মাজুলীত কবি সন্মিলনৰ কেন্দ্ৰীয় অনুষ্ঠান 'চোতাল' সম্পন্ন

**ই-সংবাদ, মধ্য মাজুলী, ৩০ মাৰ্চঃ** মাজুলী জিলা কবি সন্মিলনৰ উদ্যোগত সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যসূচী 'চোতাল' অনুষ্ঠানটি আজি অনুষ্ঠিত হয়। বিশিষ্ট কবি ইন্দুলেখা হাজৰিকা আৰু সৰ্বেশ্বৰ হাজৰিকাৰ আতিথ্যত আজি দুপৰীয়া ১২ বজাৰ পৰা মাজুলী হাজৰিকা গাঁৱৰ নিবাসী সৰ্বেশ্বৰ হাজৰিকাৰ বাসগৃহৰ চোতালত অনুষ্ঠিত অনুষ্ঠানটি সঞ্চালনা কৰে মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকাই। লোকশিল্পী ৰুণু হাজৰিকাই পৰিৱেশন কৰা এটি বৰগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত মাজুলী জিলা কবি সন্মিলনৰ সাধাৰণ সম্পাদক শ্যামন্ত পায়েঙৰ উদ্দেশ্য ব্যাখ্যাৰ পিছতেই অনুষ্ঠানটি উদ্বোধন কৰে বিশিষ্ট কবি তথা ভাষাবিদ ডিম্বেশ্বৰ ভুঞাই। ইয়াৰ পিছতে ইন্দুলেখা হাজৰিকাই আদৰণি ভাষণ পাঠ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সম্পাদক দ্বীপ হেষ্টিংছ বৰি আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সূৰ্য কুমাৰ বনিয়া। মাজুলী জিলা কবি সন্মিলনৰ সহকাৰী সম্পাদক লক্ষ্মী নাৰায়ণ শৰ্মাই আঁত ধৰা অনুষ্ঠানত মাজুলী জিলা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ কথা আৰু কবিতাৰে শুভাৰম্ভ কবিতা পাঠৰ অনুষ্ঠানটিত পঠিত কবিতাসমূহৰ সম্পৰ্কত মন্তব্য প্ৰদান কৰে ক্ৰমে বিশিষ্ট কবি কেশৰ দলে আৰু কৃষ্ণ মেধি হাজৰিকাই। অনুষ্ঠানটিত অসমৰ বিশিষ্ট কবি নিপণ লইং, লক্ষী প্ৰসাদ ৰেগন, জয়ন্ত শইকীয়া, ধ্ৰুৱজ্যোতি বৰা, সৰযু দত্ত বৰুৱা, কুশল হাজৰিকা, জ্যোতি ভুঞা, ৰেখা বৰা, দৰ্শনা দাস, দিগন্ত শইকীয়া, কবিতা শইকীয়া হাজৰিকা, পম্পী হাজৰিকা, পপী দাস, গৌতম দাস, বিদ্যামোহন ৱেইন, জ্যোস্না ভুঞা দত্ত, স্বৰ্ণ মুদৈ, কৌশল্যা বায়ন হাজৰিকা, অতুল চন্দ্ৰ বৰা, কেশৰ দলে, ডিম্বেশ্বৰ ভুঞা, যতীন্দ্ৰ নাথ মুদৈ, কৃষ্ণ মেধি, অমিয়া দেৱী বৰঠাকুৰ, পাৰুল বৰা মিলি,গজেন নৰহ, ৰিতা শইকীয়া, অনন্ত ডাটে, লক্ষীন্দ্ৰ দাস, শ্যামন্ত পায়েং প্ৰমুখ্যে প্ৰায় পঞ্চাশগৰাকী কবিয়ে কবিতা পাঠ কৰে। ছাত্ৰী পৰীশিখা শইকীয়াৰ কবিতা আবৃত্তি, শিখামণি কাকতি, জ্যোৎস্না ভুঞা দত্ত আৰু ৰুণু হাজৰিকাৰ গীত পৰিৱেশনে অনুষ্ঠানটিক সুকীয়া মাত্ৰা প্ৰদান কৰে। শেষত জিলা কবি সন্মিলনৰ সম্পাদক শ্যামন্ত পায়েঙে শলাগৰ শৰাই আগবঢ়ায়।

# নগাঁৱত আন্তঃজিলা জিমনাষ্টিকছৰ সফল সমাপ্তি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩০ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত যোৱা ২৮ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত ৩৩ সংখ্যক সদৌ অসম আন্তঃজিলা জিমনাষ্টিকছ প্ৰতিযোগিতাৰ আজি সফলতাৰে সমাপ্তি ঘটিছে। অসম জিমনাষ্টিকছ সন্থাই নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত অনুষ্ঠিত কৰা প্ৰতিযোগিতাৰ ৰিডমিকৰ মিনি, ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত ঘৰুৱা নগাঁও জিলা দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। আৰ্টিছটিকৰ মহিলাৰ মিনি, ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত সামগ্ৰিকভাৱে কামৰূপ মহানগৰ আৰু পুৰুষৰ কেডেট, মিনি, ছাব জুনিয়ৰ, জুনিয়ৰতো কামৰূপ মহানগৰ দলে চেম্পিয়নৰ খিতাপ অধিকাৰ কৰে। আনহাতে, আৰ্টিছটিকৰ পুৰুষৰ ছিনিয়ৰ শাখাত এন আই এছ পাৰ্থপ্ৰতিম ভড়ালীৰ প্ৰশিক্ষণপ্ৰাপ্ত অসম পুলিচ দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। অসম জিমনাষ্টিকছ সন্থাৰ সম্পাদক উজ্জল বৰুৱাই জানিবলৈ দিয়ামতে, মুঠ চৈধ্যটা জিলা গোটৰ পৰা তিনিশৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ অন্তত সামৰণি অনুষ্ঠানত মুখ্য অতিথিৰূপে নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা স্থানীয় বিধায়ক ৰূপক শৰ্মাৰ লগতে বিশিষ্ট ক্ৰীড়া সংগঠক তপন কুমাৰ দাস, প্ৰশান্ত কুমাৰ বৰা, উজ্জল বৰুৱা, এইছ কে এম ৰহমান, অমিতাভ বৰা, দিগন্ত বৰা, অনিল দাস, প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্য, অসীম ভাৰাল, ঘনজ্যোতি দাস আৰু গিৰিমা শইকীয়া আদি উপস্থিত থাকি বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। ইপিনে, প্ৰতিযোগিতাৰ আৰ্টিছটিকৰ মহিলা শাখাৰ ছাব জুনিয়ৰৰ বেলেন্সিং বিমত কামৰূপ মহানগৰৰ টানিচা বাসাক, জুনিয়ৰত আয়েচা নাচৰিন চৌধুৰী, মিনি শাখাত কামৰূপ মহানগৰৰ মমটাজ প্ৰিন্সেছ চৌধুৰীয়ে প্ৰথমস্থান পাইছে।



আইপিএল ২০২৫: গুৱাহাটীত ধোনীক সম্বৰ্ধনা বিচিচিআইৰ সচিব দেৱজিত শইকীয়াৰ



আইপিএল ২০২৫: গুৱাহাটীৰ খেলপথাৰত চিএছকেৰ বিৰুদ্ধে দৰ্শনীয় শ্বট ৰাজস্থান ৰয়েলছৰ ৰিয়ান পৰাগৰ

## বৰ্ষাপাৰাত ক্ৰিকেটৰ মহাৰণত ধৰাশায়ী চেন্নাই ছুপাৰ কিংছ

# ৰিয়ান পৰাগৰ নেতৃত্বত ৬ ৰানত বিজয় সাব্যস্ত ৰাজস্থান ৰয়েলছৰ

**গুৱাহাটী, ৩০ মাৰ্চঃ** অৱশেষত গুৱাহাটীৰ বৰ্ষাপাৰাত জয়ৰ সোৱাদ লভিলে ৰিয়ান পৰাগৰ নেতৃত্বৰ ৰাজস্থান ৰয়েলছে। আইপিএল ২০২৫ত চেন্নাই ছুপাৰ কিংছক ৬ ৰানত পৰাস্ত কৰি এক গুৰুত্বপূৰ্ণ জয় সাব্যস্ত কৰে ৰাজস্থানে। গুৱাহাটীত অনুষ্ঠিত এই মেচখনত ৰাজস্থানে প্ৰথমে বেটিং কৰি ২০ অভাৰত ১৮২/৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত চেন্নাই ছুপাৰ কিংছে খেলখন শেষ অভাৰলৈ লৈ যায় যদিও ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৬ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। প্ৰথমে বেটিং কৰি ৰাজস্থান ৰয়েলছৰ আৰম্ভণি আছিল লেহেমীয়া। খেলখনৰ মাত্ৰ তৃতীয় বলত যশস্বী জয়ছৱাল (৪)ক খলিল আহমেদে আউট কৰে। তাৰ পাছত দলটোৰ দায়িত্ব লয় সঞ্জু চেমচন আৰু নীতিশ ৰাণাই। দুয়োজনে ইনিংছক আগুৱাই নিয়াৰ চেষ্টা চলায় যদিও সঞ্জুৱে ১৬টা বলত ২০ ৰান কৰি পেভিলিয়নমুখী হয়। অৱশ্যে নীতিশ ৰাণাই অকলেই দুৰ্দান্ত প্ৰদৰ্শন দলক আগুৱাই নিয়ে। তেওঁ মাত্ৰ ৩৬টা বলত ৮১ ৰানৰ বিস্ফোৰক ইনিংছ খেলে, য'ত আছিল ১০টা চাৰি আৰু ৫টা বিশাল ছয়। ৰাণাৰ এই দৰ্শনীয় ইনিংছৰ পাছত ৰিয়ান পৰাগেও আজি উন্নত প্ৰদৰ্শন কৰে। অধিনায়ক ৰিয়ানে ২৮টা বলত ৩৭ ৰান সংগ্ৰহ কৰে। অৱশ্যে আন বেটছমেনসকলে স্ক'ৰ কৰাত ব্যৰ্থ হয়। শেষত শ্বিমৰন হেটমায়াৰে ১৯ ৰান সংগ্ৰহ কৰে যদিও চেন্নাইৰ বলাৰসকলে ৰাজস্থানক ২০০ ৰান লাভ কৰাৰ পূৰ্বেই স্তব্ধ কৰে। চেন্নাইৰ হৈ খলিল আহমেদ আৰু নূৰ আহমেদে ২টাকৈ উইকেট দখল কৰাৰ বিপৰীতে পাথিৰানা আৰু ৰবীন্দ্ৰ জাদেজাই ১টাকৈ উইকেট দখল কৰে। ইফালে, ১৮৩ ৰানৰ লক্ষ্য সন্মুখত ৰাখি ক্ৰিজত নমা চেন্নাই ছুপাৰ কিংছে আৰম্ভণিতে বিপৰ্যয়ৰ সন্মুখীন হ'বলগীয়া হয়। মাত্ৰ ৪টা বল খেলি শূন্য ৰাণত আউট হয় ৰাচিন ৰবিন্দ্ৰ। তাৰ পাছত ৰাহুল ত্ৰিপাঠী আৰু অধিনায়ক ঋতুৰাজ গাইকৱাদে দলৰ ইনিংছ পুনৰুদ্ধাৰৰ চেষ্টা কৰে। গাইকৱাদে ৪৪টা বলত ৬৩ ৰান সংগ্ৰহ কৰে। অৱশ্যে আন বেটছমেনসকলে তেওঁক সহযোগ কৰাত ব্যৰ্থ হয়।

# ভাৰতীয় হকীৰ ক'ৰ দলত স্থান লাভ অসমৰ দুগৰাকী মহিলা খেলুৱৈ

**ই-সংবাদ, ক্ৰীড়া সেৱা, নগাঁও, ৩০ মাৰ্চঃ** অসমৰ ক্ৰীড়া ক্ষেত্ৰত হকীৰ বাবে এক সুখবৰ। অসম হকীৰ সম্পাদক তপন কুমাৰ দাসে জানিবলৈ দিয়া মতে, আগন্তুক বিশ্বকাপ মহিলা হকী চেম্পিয়নশ্বিপত ভাৰতীয় দলটো গঠন কৰাৰ উদ্দেশ্যে বাংগালুৰুৰ ছাই এক্সচেলেঞ্চীত সম্প্ৰতি পূৰ্ণগতিত প্ৰস্তুতি চলি আছে। তাৰ মাজতে জুনিয়ৰ বিশ্বকাপৰ বাবে ভাৰতীয় ৩৩ জনীয়া ক'ৰ দলটোত অসমৰ গ'লৰক্ষিকা লক্ষীমণি মাজুৱা (নাহৰকটীয়া) ই স্থান লাভ কৰিছে। লক্ষীমণি অসমৰ মহিলাৰ দ্বিতীয় গৰাকী খেলুৱৈ। ইয়াৰ আগতে অসমৰ পৰা মুনমুনি দাস প্ৰথমগৰাকী হিচাপে ইতিমধ্যে এই দলটোত আছে। তাৰোপৰি বিশ্বকাপৰ ছিনিয়ৰ মহিলাৰ বাবে ভাৰতীয় ৩৩ জনীয়া ক'ৰ দলত অসমৰ গ'লৰক্ষিকা সমীক্ষা চাক্লেনাই ( নগাঁও ) স্থান লাভ কৰিছে। ভাৰতীয় ছিনিয়ৰ মহিলা হকী দলত সমীক্ষাই অসমৰ পৰা পোনপ্ৰথমবাৰৰ বাবে স্থান লাভ কৰিবলৈ সক্ষম হ'ল। ফলস্বৰূপে অসমৰ হকী ক্ৰীড়াপ্ৰেমীয়ে উৎফুল্লিত হৈ দুয়োগৰাকী খেলুৱৈকে শুভেচ্ছা জনাইছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি